চান্দমামা

জুন ১৯৯৪



‘চান্দমামা’ৰ মজা আৰু বাঢ়ে
লগত যদিহে মেঙ্গো বাইট থাকে

everest/93/PP/163 ass

"मेरि"
दुनिया भर की नारियों को, 31 से अधिक सालों से मनमोहक, खूबसूरत और मज़बूत स्वर्णपाट्टित ज़ेवरों से सँवार रहे हैं।
मेरि अब पेश करते हैं चकाचौंध करने वाले रंगबिरंगे और उत्तम डिज़ाइन के ज़ेवर, जो शुद्ध चाँदी पर सोने का पानी चढ़ा कर और अमरीकी हीरो (A.D) से जड़ा कर बनाये गये हैं।
ज़ेवर वी.पी.पी. द्वारा मँगाये जा सकते हैं। हमें ज़ेवर की संख्या का उल्लेख देते हुये लिखिये। मंदिर की मूर्तियो और भरत नाट्यम के लिए ज़ेवर बनाना हमारी विशेषता है। मुफ्त रंगीन सूचापत्र के लिये लिखिये। कृपया पत्रव्यवहार हिन्दी या अंगरेज़ी में ही करिये।
No:193 Rs. 300/50
No:154 Rs. 300/50
No:152 Rs. 200/50
No:257 Rs. 350/50
No:232 Rs. 300/50
No:8 Rs. 200/50
No:43 Rs. 150/50
No:294 Rs. 250/50
No:123 Rs. 200/50
No:214 Rs. 300/50
No:952 Rs. 500/50
No:37 Rs. 200/50
No:49 Rs. 400/50
No:99 Rs. 600/50
No:86 Rs. 400/50
A. D.
No:266 Rs. 600/50
A. D.
No:834 Rs. 450/50
A. D.
No:862 Rs. 700/50
A, D.
No:876 Rs. 400/50
A. D.
No:830
Rs. 1250/50
A. D.
No:916 Rs. 300/50
MERI GOLD COVERING WORKS
P.O. Box 1405, 18, Ranganathan Street, T. Nagar,
Madras 600 017, Phone: 444671, 442513


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


SUPER
RUBBER
It's time to go back to school again. Time for text books. Time for games. Time to meet old friends. And make new ones. Time to start studying again. Because there's so much to learn about the world around you.
From all of us here at Chandamama, have a great year in school. And remember to tell us what you've learnt everyday, when you come home from school !
THE
HANDAMAMA
OLLECTION
ARTIG1246

চান্দমামা

*

জুন ১৯৮৪

শ্ৰী গৌতম গোস্বামী
৭/৬/১৯৮৪

এই * আছে
সংখ্যাত

*

'জ্ঞানৰ বোজা'	:	৭
কৃষক-বিদ্ৰোহ	:	৯
নামৰ দাম	:	১১
নাম আৰু কাম	:	১৬
অভিশপ্ত পুষ্প	:	১৭
আত্মাভিমান	:	২৫
কাশী-পণ্ডিত	:	৩১
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
গুপ্তধন-ৰহস্য	:	৩৭
আৰাম হাৰাম হ্যায়	:	৪১
বি-সম্বাদৰ ঝমক	:	৪৪
বীৰ হনুমান	:	৪৫
জালত লগা শিঙৰা	:	৫৩
সপোন দিঠক হ'ল	:	৫৮
বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩
ফটো-প্ৰতিযোগিতাৰ পুৰস্কাৰ		৬৫

*

চান্দমামা

A CHANDAMAMA PUBLICATION

সংস্থাপক : চ ক্র পা ণি　　সঞ্চালক : বি নাগিৰেড্ডি

'জ্ঞানৰ বোজা'

গৰমৰ ছুটী গ'ল. আৰু আকৌ আৰম্ভ হ'ল পঠন-পাঠন, পাচিয়ে পাচিয়ে পাঠ্যবহী-নোটবহী আৰু লগতে আন কত কি যে কঢ়িয়াই কঢ়িয়াই নিত্যদিন পঢ়াশালিলৈ আহন-যাৱন।

শিক্ষা-অধিকৰ্তাসকলে ছাতৰৰ একান্ত কৰ্তব্য হিচাপে আৰোপিত এই যে 'ছাতৰৰ জ্ঞানৰ বোজা'—আজিৰ দিনত সিমান আৱশ্যক হওক-নহওকেই—কঢ়িয়াই কঢ়িয়াই ভাগৰ লাগে, তালৈ আমাৰ কৰ্ণধাৰসকলৰ প্ৰায় কাৰোৱেই মন-কাণ থকা বৰ পৰিলক্ষিত নহয়। 'জ্ঞানৰ' প্ৰতিটি শাখাৰ বাবেই বিৰাট-বিশাল পুস্তকৰ টোপোলাৰ বন্দৱস্ত কৰা হৈছে। তাৰোপৰি, বছৰেকত বিভিন্ন পৰীক্ষাৰ বাবে কিতাপে-খাতাই এক প্ৰকাণ্ড বোজা সদায়েই কঢ়িয়াবলগীয়া হৈছে—যিটি বোজাক—কিছুমানে 'গাধৰ বোজা' বুলি ধেমালিতে কয়, যদিও আমাৰ কৰ্ণধাৰসকলেহে জানিব কথাষাৰ সঁচেকাটে সঁচা হয়নে নহয়। এই বিষয়টি আমাৰ সংসদতো উত্থাপিত হৈছে আৰু অৱশেষত আমাৰ কেন্দ্ৰীয় চৰকাৰে স্কুল-কৰ্তৃপক্ষ নিৰ্দিষ্ট এই অনাৱশ্যক-বোজা কঢ়িউৱাৰ অভিযোগৰ চয়-নিচয় কৰিবলৈ এটি কমিটিও গঠন কৰিছে—'জ্ঞানৰ বোজাৰ ভাৰ'ত পিঠি দোঁ-দোৰোল খাই পৰা শিশুইতক ৰক্ষাৰ বাবে। এই 'যশপাল কমিটি'ৰ চুপাৰিছ মতে সকলো ধৰণৰ চৰকাৰী বিদ্যালয়ত অহা শিক্ষা-বৰ্ষৰ ধৰা 'জ্ঞানৰ বোজা' লঘু কৰাৰ দিহা কৰা হৈছে। কিন্তু—চৰকাৰী বিদ্যালয়নো কিমান? অন্যান্য বিদ্যালয়ৰ বেলিকা? কমেও—আমাৰ দেশৰ সকলো প্ৰাথমিক পঢ়াশালিৰ কণ কণইতক এনে উৎপতীয়া

'জ্ঞানৰ বোজা'ৰপৰা ৰক্ষা কৰিব নোৱাৰিনে?

বছৰ : ১৯　　জুন ১৯৯৪　　সংখ্যা : ৩

খনে ৪'০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮'০০ টকা



National-960

পৃথিৱীৰ থিৰিকীৰে

মেকছিকোত কৃষক-বিদ্ৰোহ

যিসময়ত শান্তিৰ নামত নতুন বছৰক পৃথিৱীৰ দেশে দেশে আদৰা হৈছিল ঠিক সেইছোৱা সময়ত মেক্সিকোত আৰম্ভ হৈছিল বিগত ২০ বছৰত সৰাতোকৈ তিক্ত কৃষক-বিদ্ৰোহ।

"আমাৰ প্ৰকৃততেই একো নাই। ঠিকমতে বসবাসৰ ঘৰ-দুৱাৰ নাই, নিজা মাটি-বাৰী নাই, চাকৰি নাই, বিদ্যা নাই, স্বাস্থ্য বোলাও একো নাই। গতিকে —চৰকাৰৰ বিৰুদ্ধে আমাৰ বিদ্ৰোহত অন্যায় একোৱেই নাই। এই বিদ্ৰোহেই হ'ল আমাৰ জীৱন-মৰণৰ বিদ্ৰোহ।" গৰিলা-নেতা জাপতিস্তা ন্যাশ্যনাল আৰ্মিৰ স্বয়ংঘোষিত সেনাধ্যক্ষ মাৰকোছে উক্ত কথাখিনি তিক্ততাৰে সৈতে কৈছিল। তেওঁৰ মতে — ১৯১০ চনত এমিলিয়ানো জাপাতাৰ নেতৃত্বত আৰম্ভ হোৱা তাহানিৰ সেই কৃষক-বিদ্ৰোহৰ এয়ে হ'ল শেষ পৰ্য্যায়।

এইবাৰৰ প্ৰচণ্ড কৃষক-বিদ্ৰোহৰ উৎসস্থল হ'ল 'চিয়াপা'। এই চিয়াপা হ'ল—দক্ষিণ মেক্সিকোৰ দৰিদ্ৰতম অঞ্চল। বৰ্তমান শাসক 'ইনস্টিটিউশ্যনাল ৰেভল্যুশ্যনাৰি পাৰ্টি'ৰ অসাম্য-বৈষম্যমূলক আচৰণত অতিষ্ঠ হৈ এই বিদ্ৰোহৰ পাতনি তৰা হৈছে। এই শাসক পাৰ্টিৰ সহায়ত মেক্সিকান ধনিক সম্প্ৰদায়—যিহঁতৰ বুজনভাগেই হ'ল কফি-উৎপাদক—বন-বিষয়াইতৰ সৈতে চুক্তি কৰি সেই অঞ্চলৰ কৰ্ষণযোগ্য মাটি—যি-মাটি এসময়ত আছিল মেক্সিকোৰ আদি-অধিবাসী মায়া-ইণ্ডিয়ানসকলৰ—সেই মাটিৰ প্ৰায় পূৰাপূৰিয়েই নানান ছল-ছন্দত আত্মসাৎ কৰি লৈছে। প্ৰকৃত কৃষকহঁতক তেওঁলোকৰ উৎপাদনৰ বাবে সামান্য যি এভাগ দিয়া হয়—সেইখিনিও তেওঁলোকক এই উৎপাদনৰ তথা মাটিৰ মালিকহঁতক বেচিবলৈ বাধ্য কৰা হয়। প্ৰতিবাদ কৰিলেই—নিৰ্ঘাত মৃত্যু। ১০০০ একৰ মাটি গাৰ বলেৰে এনেয়েই দখল কৰি লোৱা হৈছে—এই ঘটনাও প্ৰমাণিত সত্য। এনেবোৰ অতি

অন্যায় কাৰণত আজিৰ এই কৃষক-বিদ্ৰোহৰ বনাগ্নি অতিশয় দ্ৰুততাৰে প্ৰসাৰিত হৈছে।

তাৰোপৰি, ভূতৰ ওপৰৰ দানহ পৰা দি পৰিছেহি NAFTA অৰ্থাৎ নৰ্থ আমেৰিকান ফ্ৰি ট্ৰেড অ্যাগ্ৰিমেন্টৰ কোব! এই অ্যাগ্ৰিমেণ্ট তথা ব্যৱসায়িক চুক্তি হ'ল আমেৰিকা, কানাডা আৰু মেক্সিকোৰ মাজত যি চুক্তি—জানুৱাৰিৰ ১ তাৰিখৰপৰা বলবৎ হোৱাৰ কথা আছিল। বলবৎ হোৱাহেঁতেন, মেক্সিকোৰ কৃষককুলৰ মহা-সৰ্বনাশ যে নিশ্চয় হ'লহেঁতেন—সেই কথাৰ সত্যতা সৰ্বজনস্বীকৃত। তেতিয়া, মেক্সিকোৰ নিপীড়িত কৃষকে এতিয়াতকৈও ভালেখিনি কম দামত তেওঁলোকৰ উৎপাদন বেচিবলৈ বাধ্য হ'লহেঁতেন।

প্ৰায় ২০০০ গৰিলা-যুঁজাৰুৱে ছান ক্ৰিষ্টোব্যাল, ডেলাজ ক্যাছাজ, ওকোছিংগো, মাৰ্ঘেৰিটাজ, আলট্ৰা ম্যাৰাইনো পাৰ্বত্য চহৰসমূহ অধিকাৰ কৰি তিনি দিনলৈ তেওঁলোকৰ অধিকাৰ বজায় ৰাখিছিল। প্ৰায় ৩০০ গৰিলা-যুঁজাৰুৱে ছান-ক্ৰিষ্টোব্যালস্থিত চৰকাৰী অফিচসমূহ আক্ৰমণ কৰি ধ্বংস কৰিছিল।

তেওঁলোকে—মিলিটাৰি-জেলখানাৰপৰা ১৮০ জন বন্দীকো মুক্ত কৰিছিল।

মেক্সিকোৰ চৰকাৰী বাহিনীয়ে এই গৰিলা-যুঁজাৰুসকলৰ ওপৰত বোমা-বৰ্ষণ, স্থল-আক্ৰমণ ইত্যাদিৰে এওঁলোকৰ প্ৰায় ২০০ জন যুঁজাৰুক নিহত কৰিছিল।

মেক্সিকোৰ চৰকাৰে অতি ভয়ানক ৰাজনীতি ধৰ্মী এই সশস্ত্ৰ কৃষক-বিদ্ৰোহৰ বাবে ৰোম্যান ক্যাথলিক বিশ্বপ স্যামুৱেল ৰুইলৈ আঙুলিয়াইছে আৰু যথাবিধি স্যামুৱেলে এই বিদ্ৰোহত তেওঁৰ দায়িত্ব সম্পূৰ্ণ অস্বীকাৰ কৰিছে। কিন্তু তেওঁ মেক্সিকোৰ চৰকাৰৰ বৈষম্যমূলক শাসন-নীতিৰ বিৰুদ্ধে প্ৰতিবাদ জ্ঞাপন নকৰাকৈ থকা নাই।

অৱশেষত বিগত ৭০ বছৰ ধৰি একেৰাহে শাসন চলাই থকা চৰকাৰী পাৰ্টিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে যে—এই কৃষক-বিদ্ৰোহৰ পৰিপ্ৰেক্ষিতত গৰিলা-যুঁজাৰুসকলৰ সৈতে আলাপ-আলোচনা চলোৱা হ'ব। সেই কাৰণে—গৰিলা-যুঁজাৰুসকলৰ সৈতে যুদ্ধ-বিৰতি আৰু বন্দীমুক্তিও ঘোষিত হৈছে। প্ৰকৃতপক্ষে বাধ্যত পৰি এই চৰকাৰে জাপতিস্তা আৰ্মিলৈ ৰাজনৈতিক স্বীকৃতি জ্ঞাপন কৰি তেওঁলোকক আলোচনাৰ মেজলৈ আহিবলৈ আমন্ত্ৰণ জনাইছে।

এই বছৰৰ অগাস্ট মাহত মেক্সিকোত যি সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব—সেই নিৰ্বাচনত বিভিন্ন দেশৰ ৰাজনৈতিক দলে সুনিশ্চিতভাবে অংশগ্ৰহণ কৰিব বুলি নিৰ্বাচন-বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

মেক্সিকো
অতীতৰ আৰু আজিৰ

* মেক্সিকো হ'ল পৃথিবীৰ বৃহত্তৰ স্প্যানিশ্ব-ভাষী জাতিৰ দেশ
* ১৬ শতিকালৈ মায়া-ইণ্ডিয়ান সাম্ৰাজ্য আছিল।
* ১৬২০ — ১৮২০ লৈকে আছিল স্প্যানিছ-উপনিবেশ।
* ১৮২১ চনত স্পেনৰপৰা স্বাধীনতা লাভ কৰিছিল।
* ১৮৪৬—৪৮ চনত আমেৰিকাৰ বিৰুদ্ধে যুদ্ধ কৰিছিল।
* ১৮৪৮ চনত মায়া-ইণ্ডিয়ান বিদ্ৰোহে পুনৰ এবাৰ মূৰ দাঙিছিল।
* ১৯১০ চনত জাপাতাৰ নেতৃত্বত কৃষক-বিদ্ৰোহ।
* ১৯১৭ চনত আধুনিক দিনৰ নতুন সংবিধান প্ৰৱৰ্তিত।
* ১৯২০ চনত ইনষ্টিটিউশ্বনাল ৰেভলুশ্বনাৰি পাৰ্টিয়ে শাসন-ক্ষমতা হস্তগত কৰিছিল।

নামৰ দাম

হাট-আৰেঙত কতই যে কত বস্তু বেচে। লাও বেঙেনা উৰহী মূলা কচু আলু্গুটি লাই লফা পালেং ধান চাউল—হাঁহ-কুকুৰা পঠা ছাগলী-গৰু ম'হ—তৰহে তৰহে—কত কি যে লৈ আহে আৰু বেচে—তাৰ লেখ-জোখ নাই। কিন্তু—হাট-আৰেঙত কোনোবাই নাম বেচিলৈকো আহেনে?এনে আচৰিত কথা শুনিছেনে কোনোবাই?

শুনক-নুশুনক—শুনকেই তেও।

বিৰামপুৰৰ হাটৰ এচুকত বহি এজন তপা-মূৰীয়া বুঢ়াই চিঞৰি কৈ আছিল: "নাম—লাগেনে—নাম? ভাল ভাল নাম—বহুমূলীয়া নাম—আকামৰ নাম নহয় কামৰ নাম লাগে যদি—সোনকালে আহক—আগতে আহিলে বঁটা পাব—পিছত আহিলে পস্তাব—আহক—"

কিন্তু—আনকি এজন মানুহো এই নাম-বেচা বুঢ়াৰ কাষ নাচাপিল, বুঢ়াক সকলোটিয়েই ধুমবলিয়া বুলি ভাবিলে।

বিৰামপুৰৰ হাটলৈ আহিছিল এটা চোৰ। নাম তাৰ যোগী। বুঢ়াৰ চিঞৰ শুনি যোগীয়ে কৈ দিলে আৰু ভাবিলে: কথানো কি? নামও — কোনোবাই বেচেনে? কিনেনে? বৰ আচৰিত কথা!

"কিনো সেইবোৰ নাম? কিয়নো ইমান মূল্যৱান?" যোগী-চোৰে সুধিলে।

"সেই কথা জানিবলৈকো—প্ৰথমে পাঁচহেজাৰেৰে নাম এটা কিনিব লাগিব, তেহে জানিবা।" বুঢ়াই ক'লে।

নাম-বেচা বুঢ়াৰ কথাত যোগী-চোৰে হাঁহিলে আৰু ক'লে, "তোমাৰ নাম মূল্যৱান বুলি নজনালৈকে—তোমাক



কোনেও এটা পাঁচপইচীয়াও যে নিদিয়ে —জানানে নাজানা? শুনা, প্ৰতিটো বেহানিৰ নিয়ম হ'ল—আগতে বস্তু পাছত দাম, হওক গেলামাল হওক নাম। সেই নিয়ম মানিব লাগিব। গতিকে—তুমি তোমাৰ মহামূলীয়া নাম কোৱাঁ, আৰু পাছত—যি খুজিছা দাম লোৱা। দিয়া যাব পাঁচহেজাৰ।"

তেতিয়া নাম-বেচা বুঢ়াই ভাবি-চিন্তি যোগী-চোৰক ক'লে, "হওঁতে—কথাটো কিজানি ঠিকেই কৈছা। ঠিক আছে. তোমাক বিশ্বাস কৰি এটা নাম কওঁ:

"কেইবছৰমানৰ আগতে আমাৰ দেশৰ ৰাজধানী বিজয়পুৰৰ উত্তৰ দিশত থকা অৰণ্যৰপৰা প্ৰকাণ্ড বাঘ এটা ওলাই আহি ৰাইজৰ গৰু-ম'হ ছাগলী ভেড়া আদি একালৰপৰা খাইছিল, আনকি দুই-চাৰি প্ৰজাকো বধিছিল। ৰজাই বাঘটোক মাৰিবলৈ চিকাৰীক লাখটকা পুৰস্কাৰ দিব বুলি ঘোষণা কৰিছিল। কিছু দিনৰ পাছত বাঘটোক কোনোবাই বধিলে, কিন্তু ৰজাৰপৰা সেই লাখটকীয়া পুৰস্কাৰ ল'বলৈ আজিপৰ্য্যে কোনো নাহিল। ৰজাই জানিছিল যে — বাঘটোক বধ কৰা মানুহজনৰ নাম চক্ৰধৰ। গতিকে—এতিয়া চক্ৰধৰ বোলা যিকোনো এজন ৰজাৰ কাষ চাপিলেই—লাখটকা।"

শুনি যোগী-চোৰে আৰু পলম নকৰি পোনে পোনেই ৰাজধানীলৈ গৈ ৰজাৰ কাষ চাপি নিজক চক্ৰধৰ বুলি চিনাকি দিলে আৰু বাঘ বধ কৰাৰ বাবে লাখ-টকীয়া পুৰস্কাৰ প্ৰাৰ্থনা কৰিলে।

"তেনেহ'লে--ইমানদিন নাহিলা কিয় পুৰস্কাৰ ল'বলৈ?" ৰজাই সুধিলে।

মহাৰাজৰ এই প্ৰশ্নৰ উত্তৰত যোগী চোৰে বিনম্ৰভাবে ৰজাক ক'লে, "মহাৰাজ, মোৰ বৃদ্ধ মাতৃ-পিতৃক কাশীলৈ লৈ বাবলগীয়া হোৱাত মোৰ এই বিলম্ব। পিতৃ-মাতৃৰ আকাংক্ষা-পূৰণতকৈ ধনৰ মূল্য

অধিকনে, মহাৰাজ!"

এইবাৰ মহাৰাজে চক্ৰধৰৰূপী যোগী-চোৰক তাৰ প্ৰাপ্য পুৰস্কাৰ দিলে।

আৰু এইবাৰ যোগী-চোৰে ও বুজি পালে যে নামৰ কি দাম! সি এইবাৰ নাম-বেচা বুঢ়াক ক'লেগৈ, "হেৰাহে বুঢ়া, তোমাৰ কথা সাঁচে-কাটে সঁচা। এতিয়া —দ্বিতীয় নামটোও শুনোচোন—।"

"তুমি যদি সঁচাকৈয়েই মোৰ প্ৰাপ্য-খিনি দিয়া, তাৰে মই টান বেমাৰত পৰি থকা মোৰ পৰিবাৰৰ চিকিচ্ছা কৰাব পাৰিম, ছোৱালীজনীৰ বিয়াখনো পাতিব পাৰিম। নহ'লে — মই এ কে বা ৰে নিঃসম্বল। কিন্তু তুমি প্ৰথম নামৰপৰা পোৱা টকা পায়ো মোক নিদিলা। দ্বিতীয় নামটো কিয়তেনো কওঁ?"

"এস্! তুমিও যে হোলাৰ ভাই মোলাটো! তুমি মোক ইমান সহায় কৰিছা আৰু মই তোমাক নিদিয়াকৈ থাকিমনে?" যোগী-চোৰে ক'লে।

তেতিয়া বুঢ়াৰ কি হ'ল—বুঢ়াইহে জানিব! বুঢ়াই ক'বলৈ ধৰিলে:

"হিমালয় পৰ্বতত থকা মহাপাত্ৰ নামৰ মহামুনি এগৰাকীয়ে আমাৰ দেশৰ বৰ্তমান ৰজাক—তেওঁৰ সৰুকালত হেনো কৈছিল যে—তেওঁ মানে আমাৰ ৰজাই নিৰ্বিঘিনিৰে পঞ্চাছ বছৰলৈ ৰাজত্ব কৰিব আৰু তেওঁৰ ৰাজত্বকালতে মহামুনি

মহাপাত্র এবাৰ বিজয়পুৰী পৰিদৰ্শনলৈ আহিব। মহাৰাজৰ ধাৰণা— মহামুনি মহাপাত্ৰৰ আশীৰ্বাদতে তেওঁ সুকলমে ৰাজ্যশাসন কৰিব পাৰিছে। —এতিয়া, সেই মহামুনি মহাপাত্র যদি হিমালয়ৰপৰা বিজয়পুৰীলৈ আহে—তেনেহ'লে মহাৰাজে সেই মহামুনিক জো খে-জো খা ৰে উপহাৰাদি নিদিয়াকৈ নাথাকে।"

পাছদিনা যোগী-চোৰ মহামুনি মহাপাত্ৰৰ ভেশ ধৰি বিজয়পুৰলৈ গ'ল আৰু মহামুনিৰ পদাৰ্পণত ৰজা অতিশয় অনন্দিত হ'ল। মহাৰাজে ৰাজধানীত তথা সমগ্ৰ ৰাজ্যতে মহোসৱ পাতিলে আৰু উৎসৱৰ অন্তত যথোচিতভাবে সোণ-মণি-মুকুতা ধন-ৰত্নাদিৰে পুৰস্কৃত কৰি মহামুনিৰূপী যোগী-চোৰক অপাৰ সন্মানৰে বিদায় দিলে।

এইবাৰ যোগী-চোৰে অন্য এক নগৰলৈ গৈ—তাত বিৰাট এক অট্টালিকা সাজি বৰ আয়মৰে জীৱন কটাবলৈ ধৰিলে।

নাম-বেচা বুঢ়াই তেতিয়াও যোগী-চোৰৰ আশাত সদায় হাটলৈ আহে। আহি আগৰ ঠাইত ৰহে, বহি বহি চাই চাই তাৰ চকু বিষায়।

এনেতে এদিন যোগী-চোৰ আহিল আৰু নাম-বেচা বুঢ়াক ক'লে, "কিহে বুঢ়া, তোমাৰ খবৰ কি?"

"খবৰনো আৰু কি—? তোমাৰ বাট চাই চাই দিন গ'ল। যি হওক—মোৰ প্ৰাপ্য দিয়া।" বুঢ়াই ক'লে।

"দিম। পিছে—আৰু এটা নাম কোৱা, তেহে দিম। ভগৱানৰ শপত, এইবাৰ যি পাবা—তোমাকো লগত লৈ যাম—নিজেই আটাইখিনি ল'বা।"

নাম-বেচা বুঢ়াই—কি ভাবিলে-কি চিন্তিলে — যোগী-চোৰৰ এ ই বা ৰ ৰ প্ৰস্তাৱতো ৰাজী হ'ল।

যোগী-চোৰক নাম-বেচা বুঢ়াই ক'লে, "এইবাৰ ৰজাক ক'বাগৈ যে—তোমাৰ

নাম বলভদ্ৰ। বলভদ্ৰ হ'ল মহাপৰাক্ৰমী বীৰ আৰু ৰজাৰ দুৰ্ধোৰ শত্ৰু। বলভদ্ৰৰ নাম শুনিয়েই মহাৰাজে বেঙে মূতা দিব। তেতিয়া তুমি তেওঁৰ প্ৰতি সহযোগিতা প্ৰকাশ কৰিবা, ৰজাই আনন্দৰে তোমাক ধন-ৰত্ন দি বিদায় কৰিব।"

যোগী-চোৰ এইবাৰ বলভদ্ৰৰ ৰূপত ৰাজদৰবাৰলৈ গ'ল। বলভদ্ৰৰ পৰিচয় পাই—মহাৰাজ বাক্যহীন হৈ পৰিল। তেওঁ বিভ্ৰান্ত দৃষ্টিৰে মহামন্ত্ৰীলৈ চালে।

মহামন্ত্ৰীয়ে মহাৰাজক ক'লে, "মহাৰাজ! দেশদ্ৰোহিতাৰ অপৰাধত যি বলভদ্ৰক আমি ৰাজ্যৰপৰা বহিষ্কৃত কৰিছিলোঁ, সেই বলভদ্ৰ ক'ৰপৰা কেনেকৈ পুনৰ ওলালহি যে—মই বুজা নাই।" মহামন্ত্ৰীয়ে যোগী-চোৰৰ ভৰিৰপৰা মূৰলৈকে তন্ন তন্নকৈ চালে আৰু তাৰ পাছত ক'লে, "মহাৰাজ! এই মানুহজন নিশ্চয়েই বলভদ্ৰ নহয়। বলভদ্ৰক আপুনি দেখা নাছিল, মই দেখিছিলোঁ। ইয়াকো মই আগতে দেখা দেখা যেন লাগিছে। মই যদি ভুল কৰা নাই—ই হ'ল এটা চোৰ। ইয়াৰ নাম যোগী, যোগী-চোৰ। চুৰিৰ অপৰাধত আগতেও ই ফাটক খাইছিল।" তাৰ পাছত মহামন্ত্ৰীয়ে যোগী-চোৰক ক'লে, "কোৱা, মোৰ কথা সঁচা হয়নে নহয়—তুৰন্তে কোৱা।"

তেতিয়া—আন একো উপায় নেদেখি যোগী-চোৰে সেই নাম-বেচা বুঢ়ালৈ আঙুলিয়াই ক'লে, "মহাৰাজ! যত কূটৰ ঘাই—সৌটো বুঢ়া।"

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত নাম-বেচা বুঢ়াই সকলো কথা অকপটে মহাৰাজক বুজাই ক'লে। মহাৰাজে তেওঁৰ এই বৃদ্ধ প্ৰজাৰ ভৰণ-পোষণৰ বাবে যথোচিত ধন দিবলৈ আদেশ প্ৰদান কৰিলে আৰু যোগী-চোৰক ফাটকত আটক কৰি তাৰ প্ৰকৃত প্ৰাপ্য প্ৰদান কৰিলে।



নাম আৰু কাম

খেতিয়ক সীতাৰামক এজন মানুহ লাগে গাই-গৰুবিলাকক চৰাবলৈ। কাক পাব কাক ল'ব—ভাবি থাকোঁতে এজন যুৱক সীতাৰামৰ ওচৰলৈ আহিল আৰু কিবা কাম-বন দিব পাৰেনে কি সুধিলে।

"তুমি যদি বিশ্বাসী আৰু পৰিশ্ৰমী, তেনেহ'লে তোমাক মই কামত ল'ম। আগতে যিটো ল'ৰাই মোৰ গাই-গৰু চৰাবৰ কাম কৰিছিল, সি আছিল এটা দগাবাজ। এদিন সি মোক ক'লে যে—এটা গৰুক হেনো বাঘে খালে। পিছে – আমাৰ হাবিত বাঘ থকা বুলি আমাৰ চৈধ্য পুৰুষেও জনা নাই; আমিও নাজানো। ওচৰ-পাজৰৰ অন্যান্য হাবিতো কোনো বাঘ-ঘোং নাই। গতিকে—"

যুৱকে হাত দাঙি সীতাৰামক ৰখালে আৰু ক'লে, "মই তেনেকুৱা নহওঁ, মোৰ নাম সত্যৱান।"

শুনি সীতাৰামে হাঁহিলে আৰু ক'লে, "নাম আৰু কাম—একেই হয়নে, হ'বনে? ঠিক আছে। মই ধল পুৱাতে গাই-গৰুবিলাকক চৰণীয়া পথাৰত এৰি থৈ আহিলোঁ, তুমি এতিয়া লৈ আহাগৈ, তাৰ পাছত চাকৰিৰ কথা।"

সত্যৱান চৰণীয়া পথাৰলৈ গ'ল আৰু সীতাৰামৰ গাই-গৰুবোৰ ওভোতাই লৈ আহিল।

আটাইবোৰ গাই-গৰু ঠিকমতে লৈ আহিছেনে সোধাত সত্যৱানে সীতাৰামক ক'লে, "হঁ, লৈ আহিছোঁ। পিছে—সেই ক'লী গাইজনীয়ে বৰ দিগ দিছিল। তথাপি—আনিব পাৰিলোঁ তাইকো।" কথাখিনি সত্যৱানে চিঞৰি চিঞৰিয়েই কৈছিল, কিয়নো সীতাৰাম তেতিয়া ঘৰৰ ভিতৰত আছিল।

কিন্তু সত্যৱানৰ কথা শুনি সীতাৰামে আচৰিত মানিলে। কিয়নো—সীতাৰামৰ গাই-গৰুবিলাকৰ মাজত 'কলী' এজনীও নাছিল। সত্যৱানে আঙুলিয়াই দিয়া সেই ক'লী গাইজনীলৈ সীতাৰামে চালে। সেইজনী আছিল এজনী বনৰীয়া মাইকী ম'হ! গাই-ম'হৰ পাৰ্থক্যও নুবুজা সত্যৱানক সীতাৰামে তৎক্ষণাৎ কামত মকৰল কৰিলে। কিয়নো—ল'ৰাটো যে ফাঁকিবাজ নহয়—সেই কথা দেখ দেখেই।

অভিশপ্ত পুষ্প

১৩

[আগৰ কথা : ৰজা মাহিনদাৰু, সেনাধিপতি দুৰ্জয়মহাদেৱ আৰু কাবুইৰো ধাৰনা হ'ল : সমুদ্ৰী-ৰাক্ষস ডিং ডং নিশ্চয় মৰিল। তেওঁলোক পৰম সন্তুষ্টিৰে সমুদ্ৰ-পাৰৰপৰা ৰাজধানীলৈ উভতি গ'ল। কিন্তু থংগল—অৰ্থাৎ উ তুং সমুদ্ৰ-পাৰতে থাকিল আৰু সমুদ্ৰী-ৰাক্ষস ডিং ডঙে তাৰ হাতেৰে খোলাকটিৰদৰে দলিয়াই পেলোৱা নাওহুখনত কোনোবা জীয়াই আছে নে কি, কোনোবা ঢৌৰ সৈতে যুঁজি পাৰ পায়হিনে কি তাৰ ৰেখ কৰি থাকিল। তাৰ পাছত···]

আৰু সেই সগৰ্জন সমুদ্ৰৰ বিৰাট-বিশাল ওফন্দি উঠা ফেনে-ফোটোকাৰ ঢৌৰ সৈতে মৰোঁ-জীওঁ সোঁ-আধিকৈ যুঁজি থকা মানুহ এজনৰ প্ৰতি তীক্ষ্ণদৃষ্টি উ তুঙৰ দৃষ্টি পৰিল। মানুহজনে প্ৰায় পাৰ পাইছিল-হিয়েই, কিন্তু তথাপি থিয় হৈ আগুৱাই অহাৰ চেষ্টা কৰিও থিয় হ'ব নোৱাৰিছিল।

এই দৃশ্য দেখা পাই উ তুং মুহূৰ্ততে সমুদ্ৰৰ বুকুলৈ জঁপিয়াই পৰিল আৰু সেই মৃত্যুৰ সৈতে যুঁজি থকা মানুহজনক দাংকোলাকৈ তীৰলৈ লৈ আহিল।

উ তুঙে—হাত-ঠেং এৰি পৰা মনুহজনৰ গোটেই গা—বিশেষকৈ ভৰিৰ তলুৱা ঘঁহি ঘঁহি গৰম কৰি তুলিলে আৰু অলপ সময়ৰ পাছত সেই মানুহজনে—অৰ্থাৎ সেই নাগপুৰীয়া সৈন্যজনে উ তুঙৰ মুখলৈ

ডিং ডং নাই'

—ডিং ডঙক তেওঁ তেওঁৰ আজ্ঞাবহ ভৃত্য হিচাপে খটুৱাব। সেই সমুদ্ৰী-ৰাক্ষসেই হেনো নাগপুৰীৰ ৰজাক আৰু সেনাধিপতিকো খতম্ কৰিব, আৰু নিমখ-হাৰাম নেওচা-কেওচা নাগসিংহক হেনো নাগপুৰীৰ ৰজা পাতি দিব।"

"তুমি মৰণত শৰণ দি তুৱাৰ-গঁৰিলাৰ সৈতে যুঁজ দি তীৰ নোপোৱাহিহেঁতেন—আমি এইবোৰ কথাৰ কদাপিও ভু নাপালোহেঁতেন।" উ তুঙে ক'লে, "এতিয়া ব'লা, আমি সেনাধিপতিক, কাবুইক আৰু মহাৰাজক মাহিনদাৰুকো এই কথাখিনি কওঁগৈ।"

হঠাৎ এক অভাৱিত দৃশ্য দেখা পাই খোজ-বঢ়োৱা উ তুং ৰৈ গ'ল।

সৌটোনো কি?

সমুদ্ৰ তেতিয়া বহুখিনি শান্ত। শান্ত সমুদ্ৰৰ স্বাভাৱিক ঢৌৰ লগে লগে—কিনো সৌ বস্তুটো উটি আহিব ধৰিছে?

"এটা মৃতদেহ!"

উ তুঙে চিঞৰি দিলে।

কিন্তু—পুনৰ উ তুঙেই কৈ উঠিল, "হে ভগৱান! এয়া দেখোন — ডিং ডঙৰ—সমুদ্ৰী-ৰাক্ষসৰহে শ'!"

সমুদ্ৰী-ৰাক্ষসৰ শ'টো বহু কষ্টেৰে উ তুং আৰু তাত থকা নাগপুৰীয়া সৈন্য

অবাক দৃষ্টি মেলি চাই থকাৰ অন্তত বালিত শুই থকাৰপৰা পোনকোৰে উঠি বহি ক'লে—"ৰক্ষা!"

আৰু তাৰ পাছত—বিভ্ৰান্তৰদৰে চাই চাই পুনৰ ক'লে, "সেই ভয়ংকৰ সমুদ্ৰী-ৰাক্ষসটোৱে মোক আকৌ ধৰিবহিনে?"

উ তুঙে তাক অভয় দিলে: "নধৰে, ধৰিব নোৱাৰে। তোমাৰ আৰু ভয় নাই। কিন্তু—নাগসিংহৰ কি হ'ল জানানে?"

"দলাধিপতি—নাগসিংহ—বোধকৰোঁ মৰিল।" নাগপুৰীয়া সৈন্যজনে যেনিবা নিজক কোৱাদিয়েই ক'লে, "হেঁঃ! তেওঁৰ ইচ্ছা আছিল — সমুদ্ৰী-ৰাক্ষসক

কেজনমানে টানি টানি সমুদ্ৰৰ বিৰাট দৌৰেও ঢুকি নোপোৱা ঠাই এডোখৰত পেলাই থৈ দিলে আৰু—আৰু মুহূৰ্তমান সময়ো নষ্ট নকৰি ৰাজধানীলৈ তথা ৰাজপ্ৰাসাদলৈ বুলি বেগাই লৰ ল'লে।

তিমানতে কাবুইয়ো অন্য কিবা কামত ৰাজপ্ৰাসাদলৈ আহিছিল। আৰু ঠিক তেতিয়াই, ৰাজসভালৈ আহি পাইছিলহি সমুদ্ৰী-ৰাক্ষস আৰু ৰাক্ষস-সমুদ্ৰৰ কবলৰ-পৰা কথমপি সাৰি আহা নাগপুৰীয়া সেই সৈন্যজনৰে সৈতে স্বয়ং উ তুং!

উ তুঙৰপৰা সকলো বিবৰণ শুনাৰ অন্তত মহাৰাজ মাহিনদাকৰে উ তুঙলৈ স্থিৰ দৃষ্টিৰে চালে আৰু ক'লে, "উ তুং! তোমাৰ অভাৰিত সাহসৰ কোনো তুলনা নাই। তুমি তোমাৰ অতুলনীয় সাহসেৰে কেৱল মণিনগৰকে নহয়, আমাৰ নাগপুখনকো ভয়ানক বিপদৰপৰা ৰক্ষা কৰিছা, ক'বলৈ গ'লে আমাক সমুদ্ৰ-ৰাক্ষসৰ হাতত ধ্বংস হোৱাৰপৰা ৰক্ষা কৰিছা। কিয়নো আমাৰ এই নাগপুৰীৰ কি সমুদ্ৰত কি কিছুমান ঘৰতো সমুদ্ৰী-ৰাক্ষসৰ লোভ-লালসাৰ বস্তু—শতাব্দিকা পুষ্প—আছিল। তাৰ ফলত সি ডিং ডঙে নিশ্চয় আমাৰ ৰাজ্যখনকো নিশ্চয় ধ্বংস কৰি পেলালেহেঁতেন। —এতিয়া, মোৰ প্ৰস্তাৱ, তুমি আমাৰ ৰাজ্যৰ সৈন্য-ৰহিনীৰ নেতৃত্ব গ্ৰহণ কৰা!"

সেনাধিপতি দুৰ্জয়মহাদেৰেও মহাৰাজ মাহিনদাকৰ প্ৰস্তাৱ সমৰ্থন কৰিলে।

কাবুইয়ে ক'লে, "মহাৰাজ এই উদাৰ প্ৰস্তাৱ যথাযোগ্য। আমাৰ উ তুং এই পদৰ নিশ্চয় উপযুক্ত।"

মহাৰাজ মহিনদাকৰ এই প্ৰস্তাৱত উ তুং যেনিবা ভেবাহে লাগিল। সি যে কি ক'ব—কি কোৱা উচিত হ'ব—একো ভাবি উলিয়াব নোৱাৰিলে। তাৰ পাছত সি কওঁ-নকওঁকৈ ক'লে, "ম হা ৰা জ! আপোনাৰ এই প্ৰস্তাৱ গ্ৰহণ কৰিব

পৰাহঁতেন মই আনন্দিত তথা গৰ্বিতো বোধ কৰিলোহেঁতেন। কিন্তু মহাৰাজ! আপুনিও জানেই, সমগ্ৰ মণিনগৰ মোৰ প্ৰত্যাবৰ্তনলৈ বাট চাই আছে। গতিকে—"

মাহিনদাৰুৱে হাত দাঙি উ তুঙক ৰখালে আৰু ক'লে, "হে যুৱক! তোমাৰ এই মনোভাৱ অতি প্ৰশংসনীয়। কেৱল তোমাৰ সাহসেই নহয়, তোমাৰ দেশপ্ৰেমও অতুলনীয়। এখন ৰাজ্যৰ সৈন্যবাহিনীৰ সৰ্বাধিনায়কৰ পদৰ মোহ পৰিত্যাগ কৰি গুচি যোৱাটো বৰ সামান্য কথা নহয়। — ঠিক আছে, তুমি নিশ্চয় তোমাৰ দেশলৈ— মণিনগৰলৈ উভতি যাবা। কিন্তু—তাৰ আগতে লৈ যাবা আমাৰ ৰাইজৰ উষ্ণ বিদায়-অভিনন্দন।"

এই বুলি কৈ, মহাৰাজ মাহিনদাৰুৱে কাবুইলৈ চাই ক'লে, "কালিলৈ ৰাজপ্ৰাসাদ প্ৰাংগণত প্ৰজাসকল গোট খাব লাগে।"

কাবুইয়ে উ তুঙক তেওঁৰ ঘৰলৈ লৈ গ'ল। তাত এছেগত কাবুই-কন্যা চিত্ৰাই উ তুঙক সুধিলে, "শুনিলোঁ—তুমি দেশলৈ যাবাগৈ। ইয়ালৈ আৰু নাহিবানে?"

উ তুঙে আবেগৰ কৈ উঠিল, "চিতিৰা!"

ঠিক তেতিয়াই কাবুই তালৈ আহিল আৰু উ তুঙে ক'লে, "চিতিৰা! তোমাক যে শতাব্দিকা ফুলৰ পুলি দিছিলোঁ—সেই পুলিৰ যত্ন ল'বা কিন্তু—।"

চিত্ৰাই নিৰৱে মুখ লুকুৱালে; কিন্তু তাইৰ চকুযুৰি সেমেকি উঠালৈ উ তুঙে আৰু কাবুইয়েও মন কৰিলে।

পাছদিনা মহাৰাজ মাহিনদাৰুৱে তেওঁৰ অগণিত প্ৰজাৰ সমুখত উ তুঙৰ বীৰতাৰ কাহিনী স্বমুখে বিবৰাৰ অন্তত ক'লে, "উ তুং! তোমালৈ আমি গধুৰ অন্তৰেৰে বিদায়-অভিনন্দন জ্ঞাপন কৰিছোঁ। তথাপি, আকৌ কওঁ, আমাৰ সৈন্যবাহিনীৰ সৰ্বাধিনায়কৰ পদৰ কথা যদি আনকি তোমাৰ দেশলৈ উভতি যোৱাৰ পাছতো ভাবি চোৱা—আমি

ভাল পাম।"

তাত তেতিয়া মহাৰাজ মাহিনদাৰুৰ ধৰ্মপত্নী মহাৰাণী মায়াৰতী আৰু ৰাজকুঁৱৰী উষিয়াও আছিল। মহাৰাণী মায়াৰতীয়ে উ তুঙৰ মুখত মাতৃৰদৰে হাত বুলাই তালৈ নিৰৱ অভিনন্দন জ্ঞাপন কৰিলে, আৰু ৰাজকুঁৱৰী উষিয়াই তুচকুৰ মৰম-পমা চাৱনিৰে উ তুঙলৈ অভিমান-অভিনন্দন জনালে।

সেনাধিপতি দুৰ্জয়মহাদেৱে উ তুঙলৈ চাই ক'লে, "তোমাক এই কথাটি জনাবলৈ মই ভাল পাইছোঁ যে—জোঁৱৰ জুয়েৰে মৃত সমুদ্ৰী-ৰাক্ষস ডিং ডঙক সমুদ্ৰী-তীৰত এটা বিৰাট-বিশাল গাঁত খান্দি পুতি পেলোৱা হৈছে। গতিকে—সমুদ্ৰ-ৰাক্ষস তথা ডিং ডঙৰ ভীতি আৰু নাই—এই সম্বাদ তুমি তোমাৰ দেশলৈ কঢ়িয়াই লৈ যাব পাৰিবা।"

তাৰ পাছত, উ তুঙক শোভাযাত্ৰা কৰি সেই সমুদ্ৰ-তীৰলৈ লৈ যোৱা হ'ল—যি-সমুদ্ৰত যোৱা কেইবাদিনো ধৰি এক অভাৱিত-অশ্ৰুতপূৰ্ব ঘটনাৰ ঘনঘটা অনুষ্ঠিত হৈছিল।

সমুদ্ৰ-তীৰ পাই উ তুঙে এবাৰ সকলোটিলৈ ঘূৰি চালে, আৰু তাৰ পাছত তাৰ আগে আগে গৈ থকা কাবুইক

অনুসৰণ কৰাৰ আগ মুহূৰ্তত চিত্ৰাক ক'লে, "চিতিৰা! তোমাৰ ওচৰত থকা ফুলপুলিবিলাকৰপৰা ৰাজকুঁৱৰী উষিয়াকো কিছুখিনি দিবা। এতিয়া তোমালোকে এই পুলিবোৰ তোমালোকৰ মনেখোৱা-মতে কব পাৰিবা। ডিং ডং আৰু নাই!"

তাৰ পাছত উতুঙে পোনে পোনেই তাৰ নাওখনত উঠি বহিল। নাওখনক চিত্ৰাই আৰু তাইৰ সখিয়েকইঁতে ফুলেৰে সজাই দিছিল। উ তুঙে নাওখনত উঠি এবাৰ সমুদ্ৰ-তীৰস্থ সকলোটিলৈ চালে, আৰু মহাৰাজ মাহিনদাৰুৱে পৰীয়া-নাও হিচাপে তাৰ নাৱৰ লগে লগে পঠোৱা

তাৰ পাছত এসময়ত মণিনগৰৰ সাগৰ-বালিত বৈ থকা মানুহ-মুনিহখিনিৰ আনন্দ-কোলাহলো উ তুংহঁতৰ কাণত পৰিল আৰু—আৰু সামান্য সময়ৰ পাছত উ তুং আৰু তাৰ লগৰীয়া নাগপুৰীয়া সৈন্যকেইজনে মৰমৰ দেশ মণিনগৰ ৰাজ্যৰ মাটিত ভৰি দিলে।

তাত তেতিয়া মহাৰাজ-মহাৰাণী-ৰাজকুঁৱৰী আৰু লগত লিজানাও অন্যান্য হাজাৰ-বিজাৰ প্ৰজাৰ সৈতে উপস্থিত আছিল। দিনে-নিশাই উ তুঙৰ ওভোতা-নাৱৰ বাট চাই বৈ থকা মণিনগৰীয়া ৰাজপ্ৰহৰীহঁতে — সেই আকাংক্ষিত উ তুঙীয়া-নাও বহুদূৰত থকাতেই দেখা পাই কদমত ধোঁৱা চলাই খবৰ দিছিলগৈ, আৰু সেইহে ৰজা-প্ৰজা সকলোটি তাত হিলদ'ল ভাঙি উপস্থিত হৈছিলহি।

তাত মণিনগৰৰাজ্যৰ সেনাধিপতি গম্ভীৰসিঙো আছিল। তেওঁ এমুখ হাঁহিৰে উ তুঙলৈ অভ্যৰ্থনা জনালে।

"সমুদ্ৰী-ৰাক্ষস মৰিল!"

উ তুঙে তাৰ দুয়োখন হাত ওপৰলৈ দাঙি কৈ উঠিল।

"তাৰ মানে— তুমি সেই ভয়াবহ সমুদ্ৰী-ৰাক্ষসক বধিলা!" সেনাধিপতিয়ে যেনিবা নিজৰ কাণ দুখনকো বিশ্বাস

আন দুখন নাৱৰ পহৰাৰ মাজেদি অসীম সমুদ্ৰৰ বুকুৰেদি তাৰ নিজ-দেশ মৰমভৰা মণিনগৰলৈ বুলি আগবাঢ়িলে।

*

"মণিনগৰ! মণিনগৰ!"

উ তুঙে কৈ উঠিল।

আৰু—মহাৰাজ মাহিনদাৰুৰে উ তুঙৰ লগত পৰীয়া হিচাপে পঠোৱা সৈন্যকেই-জনেও বহু দূৰৰ গছে-বনে-ভৰপূৰ এক অস্পষ্ট সমুদ্ৰ-তীৰলৈ চাই থাকিল।

ক্ৰমাত মণিনগৰৰ তটৰেখা স্পষ্ট হৈ উঠিল, আৰু মণিনগৰৰ সাগৰ-বালিত ভালেমান মানুহ বৈ থকাও চকুত পৰিল।


RAZI

কৰিব নোৱাৰিলে।

"নহয়, মাননীয় সেনাধিপতি!" উ তুঙে মূৰ জোকাৰি ক'লে, "মই এতিয়াই আপোনালোকৰ আগত সমুদ্ৰী-ৰাক্ষসৰ মৃত্যুৰ পৰিপূৰ্ণ বিবৰণ দিম।"

"নহয়, আগতে ৰাজধানীলৈ ব'লা, তাতে আমি তোমাৰপৰা তোমাৰ অভিযানৰ সকলো কথা শুনিম।"

মহাৰাজ প্ৰতাপবৰ্মাদেৱে মৃদুকৈ হাঁহিৰে উ তুঙক ক'লে।

পাছদিনা, ৰাজগুৰু গৌৰিনাথৰ উপস্থিতিত, আৰু মহাৰাজ, মন্ত্ৰীসকল, সেনাধিপতি আৰু চৰ্দাৰ খাম্বাৰো উপস্থিতিত, আৰু লগতে অসংখ্য প্ৰজাৰ আগত উ তুঙে নাগপুৰীত হোৱা ঘটনাৱলীৰপৰা আৰম্ভ কৰি সকলো অতি উত্তেজনাপূৰ্ণ কথা একে একে বিবৰি ক'লে।

সকলো কথা শুনাৰ অন্তত ৰাজগুৰু গৌৰিনাথে কৈ উঠিল, "সমুদ্ৰী-ৰাক্ষসৰ মৃত্যুৰ লগে লগে 'অভিশপ্ত পুষ্প' বোলা আৰু একো নাথাকিল। অভিশপ্ত পুষ্পৰ অভিশাপ গুচিল। এতিয়াৰপৰা এই শতাব্দিকা ফুল বছৰি এবাৰকৈ ফুলিব আৰু নিৰ্বিঘিনিৰে এই ফুলৰ পুলি কৰ ৰাজ্যৰ সকলো প্ৰজায়েই পৰা হ'ব।"

"দেউতা, আমিও আমাৰ ফুলনিত এই শতাব্দিকা ফুলৰ পুলি কৰ পাৰিমনে?"

প্ৰিয়ম্বদাৰ এই প্ৰশ্নৰ উত্তৰত মহাৰাজ প্ৰতাপে প্ৰিয়ম্বদাক ক'লে, "নিশ্চয় পাৰিবা। কিন্তু তোমাক মই তাতোকৈ উত্তম উপহাৰ দিম।" এই বুলি কৈ, উ তুঙৰ হাতৰ সৈতে প্ৰিয়ম্বদাৰ হাত এখন মিলাই দিলে আৰু ক'লে, "মোৰ দেহান্তৰ অন্তত তোমাৰ যোগ্য স্বামী উ তুঙেই হওক মণিনগৰৰ প্ৰজামংগলকাৰী ৰজা!"

মহাৰাজৰ এই অভিনৱ প্ৰস্তাৱলৈ সকলোটিয়েই সহৰ্ষ সন্মতি প্ৰকাশ কৰি সমৰ্থন জনালে। [অন্ত]



আত্মাভিমান

প্ৰতিজ্ঞাৱদ্ধ বিক্ৰমাদিত্যাই পুনৰ সেই গছৰ ডালত ওলমি থকা মৃতদেহটো নমাই আনি, কান্ধত পেলাই লৈ, ঘোৰ অমানিশাৰ মাজেদি ভয়ানক শ্মশানলৈ বুলি গৈ থাকোঁতে মৃতদেহত থকা বেতালে কৈ উঠিল, "হে ৰাজন্! তুমি যে অত্যন্ত ধৈৰ্য্যশীল কিন্তু আমঠ, সেই কথাত সন্দেহ নাই। তুমি যে যথেষ্ট গুণৱান—সেই কথাতো মই দ্বিমত নহওঁ। কিন্তু প্ৰত্যেক মানুহৰ যে আত্মাভিমান থাকিব লাগে—সেই কথা তুমি বাক জানানে? যদি নাজানা—বংশীকৃষ্ণৰ কাহিনী শুনা। এই কাহিনীয়ে তোমাক তোমাৰ ভবিষ্যৎ কৰ্মধাৰাৰ বিষয়ে চিন্তাৰ সম্বল যোগাব পাৰিব বুলি মোৰ ধাৰণা। যদি তাৰে তোমাৰ কোনো উপকাৰ নহয়, তথাপি, তোমাৰ পথশ্ৰম লাঘব হ'ব—সেই কথা ধুৰুপ।" এই বুলি কৈ, ক'বলৈ ধৰিলে :

'বেতাল-কথা'

চন্দ্ৰশীলা ৰাজ্যৰ ৰাজকুঁৱৰী দেৱদত্তাই তেওঁৰ পৰম প্ৰিয় সখিয়েকহঁতৰ সৈতে অৰণ্যত বিহাৰ কৰি থাকোঁতে হঠাৎ এক অতি সুমধুৰ বাঁহী-বাদন শুনি তন্ময় হৈ ৰৈ দিলে। তাৰ পাছত সখিয়েকহঁতক লৈ সেই বাঁহী-বাদকক বিচাৰি ওলাল।

বাঁহী তেতিয়াও বাজিয়েই আছিল। ৰাজকুঁৱৰীয়ে গৈ গৈ কিছু দূৰত এজোপা বৰগছৰ ছাঁত বহি একাগ্ৰমনে হৈ বজাই থকা বাদকক দেখা পালে আৰু ধীৰ খোজেৰে বাঁহী-বাদকৰ ওচৰলৈ গৈ তাৰ পিছফালে নিৰৱে-নিমাতে ৰৈ দিলে।

অলপ পাছত বাদকেও বাদন বন্ধ কৰিলে আৰু পিছফাললৈ ঘূৰি চাই ৰাজকুঁৱৰীবন আৰু ইমানবোৰ ছোৱালীক দেখা পাই চঁক খাই উঠিলে।

বাঁহী-বাদকৰ থেৰো-গেঁৰো অৱস্থালৈ চাই ৰাজকুঁৱৰীয়ে মৃদুকৈ হাঁহিলে আৰু তাক ক'লে, "তোমাৰ বাঁহী-বাদন শুনি মই বৰ ভাল পাইছোঁ। তোমাৰ নামটোনো কি?"

"মোৰ নাম বংশীকৃষ্ণ। সৌখন গাঁৱত আমাৰ ঘৰ, মই ইয়াত গৰু চৰাওঁ।" বংশীকৃষ্ণই ৰূপৱতী ৰাজকুঁৱৰীক ক'লে।

ৰাজকুঁৱৰীয়ে ক'লে, "শুনা বংশীকৃষ্ণ, মই হ'লোঁ এইখন ৰাজ্যৰ ৰাজকুঁৱৰী। আৰু গৰু চৰাব নালাগে, তুমি আমাৰ তালৈ ব'লা। বংশী-বাদনেই হ'ব তোমাৰ একমাত্ৰ কাম। ৰাজধানীত—তথা ৰাজপ্ৰসাদতে তোমাৰ থকা-মেলাৰ ব্যৱস্থা-বন্দৱস্তও মই কৰিম। তোমাক শকত পৰিমাণৰ দৰমহাও দিম। মাত্ৰ—তুমি আমাক প্ৰতিদিন বাঁহী-বজাই শুনাবা।"

ৰাতি বংশীকৃষ্ণৰ দুচকুত টোপনি নাহিল। নানান ধৰণে আকাশ-পাতাল ভাবি, ভাবি অৱশেষত বংশীকৃষ্ণই ৰাজকুঁৱৰীৰ প্ৰস্তাৱমতে ৰাজধানীলৈ যাবলৈ খাটাং কৰিলে।

বংশীকৃষ্ণ ৰাজধানীলৈ গ'ল।

ৰাজকুঁৱৰীয়ে বংশীক বিৰাটভাৱে আদৰি ল'লে আৰু তাত আটোমটোকাৰীকৈ তাৰ থকা-মেলাৰ বন্দৱস্ত কৰিলে।

কিছুদিনৰ অন্তত বংশীকৃষ্ণৰ জীৱন-যাপন পদ্ধতিত যথেষ্ট পৰিৱৰ্তন হ'ল। বংশীকৃষ্ণৰ মাজত আৰু গৰখীয়াৰ কোনো চিনেই নাথাকিল। বংশীকৃষ্ণ এতিয়া এজন সুবিখ্যাত বাঁহীবাদক তথা সংগীতজ্ঞ। ৰাজকুঁৱৰীয়ে বংশীকৃষ্ণক এহেজাৰ মুদ্ৰা মাননী হিচাপে দিয়ে আৰু সেইখিনি বংশীয়ে তাৰ বৃদ্ধ পিতৃলৈ পঠায়।

ৰাজকুঁৱৰী আৰু মহাৰাজ-মহাৰাণী, আৰু লগতে মন্ত্ৰী-সেনাপতিৰপৰা আৰম্ভ কৰি সকলোটিয়েই বংশীকৃষ্ণৰ বংশীবাদন তথা সাংগীতিক-প্ৰতিভাৰ প্ৰশংসাত পঞ্চমুখ।

এনেতে চন্দ্ৰশীলালৈ আহিল আন এজন বংশীবাদক। বংশীবাদকৰ নাম মুকুলীনাথ।

মুকুলীনাথৰ অনুৰোধত মহাৰাজেও তাৰ বাঁহী-বাদন শুনিবলৈ সন্মত হোৱাত মুকুলীনাথে ৰাজসভাত বাঁহী বজালে আৰু মুকুলীনাথৰ বাঁহী-বাদন ৰাজসভাত বিপুল ভাবে প্ৰশংসিত হ'ল। আৰু—

আৰু তেতিয়াৰপৰা, মুকুলীনাথৰ বাঁহী-বাদনৰ তুলনাত বংশীকৃষ্ণৰ বাঁহী-বাদন—ৰাজকুঁৱৰীয়ে বৰ পনীয়া যেন পালে।

বাঁহী-বাদনৰ অন্তত মুকুলীনাথ যেতিয়া গুচি যাবলৈ যো-জা কৰি আছিল, তেতিয়া ৰাজকুঁৱৰী দেৱদত্তাই মুকুলীনাথক ক'লে,



"তোমাৰ বাঁহী-বাদনৰ তুলনাও তুমিয়েই। তোমাৰ প্ৰশংসা কৰাৰো মই অযোগ্য। তথাপি কওঁ, তুমি যদি আমাৰ দৰবাৰত থাকা তাতকৈ আনন্দ আৰু একো নহ'ব।"

মহাৰাজেও মুকলীনাথক ক'লে, "তুমি আজিৰেপৰাই আমাৰ দৰবাৰৰ প্ৰধান বংশীবাদক হ'লা। তোমাৰ মাননী— মাহেকত চাৰিহেজাৰ মুদ্ৰা ধাৰ্য্য কৰা হ'ল। —কিবা ক'বলগীয়া আছে যদি— নিঃসংকোচে কোৱা।"

এই পদ পাই মুকলীনাথ বিৰাটভাবে আনন্দিত হ'ল। কিন্তু বংশীকৃষ্ণৰ নাম-ডাক নোহোৱা হৈ আহিল। আনকি— এসময়ত আহ্বান কৰি অনা বংশীকৃষ্ণলৈ ৰাজকুঁৱৰীয়ে ঘূৰিও নোচোৱা হ'ল।

এনেতে এদিন ৰাজকুঁৱৰী দেৱদত্তাৰ দুৰ-সম্পৰ্কীয় ভনীয়েক ৰজনীলতা তালৈ আহিল সূৰ্য্যশীলা ৰাজ্যৰপৰা।

বায়েক-ভনীয়েকৰ মাজত ঢেৰ কথা ঢেৰ বাৰ্ত্তা হ'ল। তাৰ পাছত এসময়ত ভনীয়েক ৰজনীলতাই দেৱদত্তাক ক'লে, "এই যে সজাত থকা টিয়াজনী যে দেখিছা — তাই ইমান মৌ-বৰষা গীত গায় যে! শুনি থাকিবৰ মন যায়।"

"মৌ-বৰষা বাঁহী শুনাম তোক—ৰঃ।" এই বুলি কৈ, দেৱদত্তাই মুকলীনাথৰ বাঁহী বাদন ভনীয়েক ৰজনীলতাক শুনাবলৈ আয়োজন কৰিলে। কিন্তু মুকলীনাথ তেতিয়া কিবা বিশেষ কামত পৰি আন এঠাইলৈ যোৱাত—বংশীকৃষ্ণইহে ৰজনী-লতাক বিমুগ্ধ কৰিলে। যি কি নহওক— দৰবাৰত যে আন এজন ভালৰো ভাল বাঁহী-বাদক আছে—কথাটো ৰজনীলতায়ো অহুকাণে-পহুকাণে শুনিছিল। ৰজনীয়ে বায়েক দেৱদত্তক ক'লে, "মুকলীনাথ ইয়াত সম্প্ৰতি নাই, তেওঁৰ বাঁহী বাদন শুনিলোঁ। কিন্তু এওঁৰ বাঁহী-বাদনো অপূৰ্ব। তুমি এওঁক মোক দিয়া, মই এওঁক লৈ যাওঁ। এওঁৰ বাঁহী-বাদনে মোৰ

আত্মাক তৃপ্ত কৰিলে।—এওঁক যদি মই আমাৰ তালৈ লৈ যাওঁ—তোমাৰ কিবা আপত্তি আছেনে ?"

কিহলৈনো আপত্তি ? লৈ যোৱা। কিন্তু—তোমাৰ এইজনী টিঁয়াজনী মোক দি থৈ যোৱা।" দেৱদত্তাই মিচিকীয়াই হাঁহি মাৰি ক'লে।

বংশীকৃষ্ণই বায়েক-ভনীয়েকৰ কথা শুনি আছিল। এতিয়া বংশীয়ে কৈ উঠিল, "ক্ষমা কৰিব ৰাজকুঁৱৰী, মই—কালিলৈ আমাৰ গাঁৱলৈ উভতি যোৱাটোকে থাটাং কৰিছোঁ।"

"আঃ! বুজিছোঁ —" ৰজনীলতাই ক'লে, "তুমি বোধকৰোঁ আমাৰ তাত দৰমহা নাপাবা বুলি ভাবিছা। কিন্তু কথা তেনেকুৱা নহয়। ইয়াত যিখিনি পাইছিলা তাৰ দুগুণ তোমাক দিয়া হ'ব? আৰু কিবা ক'বনে ?"

কিন্তু বংশীকৃষ্ণ তাৰ গাঁৱলৈ উভতি যোৱাৰ কথাত দৃঢ় হৈ থাকিল। বংশীকৃষ্ণই ক'লে, "দুগুণ বা—দহোগুণে দিলেও মই ক'লৈকো নাযাওঁ। মই মোৰ গাঁৱলৈ যাম।"

ইমানলৈকে কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, চন্দ্ৰশীলাৰ ৰাজসভাত প্ৰকাৰান্তৰে অপমান পোৱাৰ পাছত সূৰ্য্যশীলাৰ ৰাজকুঁৱৰী ৰজনীলতাই বংশীকৃষ্ণক ইমান



যে আকৰ্ষণীয় প্ৰস্তাৱ দিছিল—কিয়নো সেই প্ৰস্তাৱ বংশীকৃষ্ণই দলিয়াই পেলাইছিল? বংশীকৃষ্ণই মুকলীনাথৰ প্ৰতি ঈৰ্ষান্ধ হৈহেনে এনেহেন মূৰ্খতা প্ৰদৰ্শন কৰিলে? আৰু—তাক গৰখীয়াৰ পৰা ৰজাৰ সংগীতজ্ঞ কৰা ৰাজকুঁৱৰী দেৱদত্তাৰ প্ৰতিও দেখোন বংশীকৃষ্ণই অকৃতজ্ঞতাহে প্ৰকাশ কৰিলে। বংশীকৃষ্ণ ইমান ক্ষুব্ধ হোৱাৰ কোনো ন্যায়সংগত কাৰণ বিচাৰি পোৱা টান। বৰঞ্চ—বংশীকৃষ্ণক ঈৰ্ষান্ধ, মূৰ্খ আৰু কৃতঘ্নহে যেন লাগিছে। বংশীকৃষ্ণৰ এনেহেন অন্যায় আচৰণৰ কিবা দেখ দেখ কাৰণ আছেনে? —মোৰ এই কৌতূহলৰ নিবৃত্তিৰ বাবে জানিও যদি সঠিক উত্তৰত নিদিয়া—তোমাৰ মূৰ ফাটি চাৰিফাল হওক।”

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, “ৰজনীলতাৰ এই সদিচ্ছাক যে বংশীকৃষ্ণই দলিয়াই পেলালে—তাৰ কাৰণ আন। দেৱদত্তা আৰু ৰজনীলতাৰ মাজত হোৱা কথা-বাৰ্তাৰপৰা এই কথা দেখ দেখকৈ ওলাই পৰিছিল যে—এজনী টিয়া আৰু সংগীতবিদ বংশীকৃষ্ণৰ মূল্য একেই; কিয়নো—টিয়া আৰু বংশীকৃষ্ণক বিনিময়ৰ পণ্য হিচাপেহে দুয়োজনী ৰজাৰ কুঁৱৰীয়ে ভাবিছিল আৰু এই কথাত বংশীকৃষ্ণও ন্যায়সংগতভাবেই আহত তথা অপমানিত বোধ কৰিছিল। আত্মাভিমান—প্ৰত্যেকৰে থাকে, আৰু থাকিবও লাগে। আত্মাভিমান থকাৰ কাৰণেই ক্ষুব্ধ বংশীকৃষ্ণই গাঁৱলৈ উভতি যোৱাৰ কথাত দৃঢ়সংকল্পবদ্ধ হৈছিল—ঈৰ্ষান্ধ হৈ নহয়।” বংশীকৃষ্ণ আছিল এজন অতি আবেগসম্পন্ন শিল্পী, মূৰ্খ বা কৃতঘ্ন নাছিল।”

ৰজা বিক্ৰমাদিত্যৰপৰা এই সদুত্তৰ শুনিয়েই বেতাল বিজুলীগতিৰে পুনৰ সেই গছজোপালৈ উভতি গ'ল আৰু গৈ গছৰ ডালত পুনৰ ওলমি থাকিল। [কল্পিত



কাশী-পণ্ডিত

অনন্তদাসক সকলোতে-সকলোৱে 'কাশী-পণ্ডিত' বুলি জানিছিল আৰু মানিছিল। তেওঁ সৰুতে ঘৰৰপৰা পলাই গৈ—গৈ গৈ কাশী পাইছিলগৈ আৰু তাতেই নিগাজী হৈ বহি কাশীৰ পণ্ডিতসকলৰপৰা যথোচিত জ্ঞান আহৰণ কৰিছিল।

এইবাবে, একালৰ অনন্তদাসক ৰাইজে 'কাশী-পণ্ডিত' বুলি কৈছিল আৰু অনন্তদাসেও গৰ্ব অনুভৱ কৰি অন্যান্য পণ্ডিত-সকলক কৃপাৰ পাত্ৰ বুলি ভাবিছিল।

বহুদিনৰ পাছত এদিন কাশী-পণ্ডিত অনন্তদাস গ'ল তেওঁৰ বায়েক-ভিনিহীয়েকক চাবলৈ গৌৰীপুৰ গাঁৱলৈ। আহাৰাদি সমাপ্ত হোৱাৰ পাছত বায়েক অনামিকাই ভায়েক অনন্ত কাশী-পণ্ডিতক ক'লে, "শুনা, আজি আমাৰ ইয়াত ৰাম-মন্দিৰত সীতা-ৰাম মংগল-মহোৎসৱ পতা হৈছে—আৰু তাত পুতলা-নাটৰ যোগেদি ৰাম-সীতাৰ কাহিনীভাগ মঞ্চস্থ কৰাৰো ব্যৱস্থা কৰা হৈছে। এই পুতলা-নাটখন ৰচিছে—আমাৰ তেৱেঁই। তোমাৰ নিচিনা বিখ্যাত কাশী-পণ্ডিতজনাই যদি সেই পুতলা-নাট-অনুষ্ঠানত উপস্থিত থাকা—তেনেহ'লে তেওঁলোকে ভাল পাব।"

পুতলা-নাট আৰম্ভ হ'ল, আৰু বিখ্যাত কাশী-পণ্ডিত অনন্তদাসো তালৈ গ'ল।

কাশী পণ্ডিতহেন খ্যাতনামা এগৰাকীক দেখা পাই পুতলা নাটৰ সূত্ৰধাৰ তথা অন্যান্য ভাৱৰীয়া সকলেও বৰ ভাল পালে। সূত্ৰধাৰে কাশী-পণ্ডিতক ক'লে, "মহাশয়, আমাৰ জ্ঞান অতি অল্প। আপোনাৰ আগত প্ৰদৰ্শন কৰিবপৰা যোগ্যতা আমাত

গিৰীশ গঞ্জিয়া

নাই। তথাপি যে আপুনি দয়া কৰি আমাক উদগনি দিবলৈ আহিছে, তাৰ কাৰণে আমি অত্যন্ত কৃতজ্ঞ।"

তাৰ পাছত নাট আৰম্ভ হ'ল। সূত্ৰধাৰে প্ৰথমেই পুত্ৰ-কামনা কৰা দশৰথৰ যজ্ঞানুষ্ঠানৰ বৰ্ণনা বৰ্ণাবলৈ ধৰিলে। সূত্ৰধাৰে ক'লে যে—যজ্ঞশালালৈ একৈছ-বিধৰ কাষ্ঠ অনা হৈছিল আৰু সেই একৈছ বিধৰ কাষ্ঠেৰে এক অতি মনোহৰ কাষ্ঠস্তম্ভ নিৰ্মাণ কৰা হৈছিল।

কাশী-পণ্ডিতে জঁাপ মাৰি কৈ উঠিল, "কি ক'লাহে—? একৈছ বিধৰ কাষ্ঠৰ তথা বৃক্ষৰ নাম ক'ব পাৰিবানে? নালাগে একৈছ, দহবিধৰ উত্তম কাষ্ঠৰ বা বৃক্ষৰ নামকে কোৱাচোন শুনো— ?"

সূত্ৰধাৰৰ উঠিল খং। খঙাল সূত্ৰধাৰে তীব্ৰ কণ্ঠেৰে ক'লে, "মহাশয়, আমি জীৱিকাৰ অৰ্থে—পেট-প্ৰৱৰ্তাবলৈহে এই নাট প্ৰদৰ্শন কৰি ফুৰোঁ, ইমান জ্ঞান আমাৰপৰা — আপুনিহে সুবনবিদিত কাশী-পণ্ডিতত আশা কৰিব নালাগে। পিছে—আপুনিয়েই একৈছবিধৰ বৃক্ষৰ নাম কৈ দিয়ক, আপোনাৰপৰা শিকি লৈ আমিও আগলৈ বিবৰিব পাৰিম।"

এইবাৰ কাশী-পণ্ডিত পৰিল কলত। আমাক জব্দ কৰিবলৈ গৈ এতিয়া নিজেই কলগ্ৰহত পৰা দেখি ভিনিহীয়েক অচিন্ত্যাই ক'লে, "আমাৰ খুলশালিয়েৰ হ'ল দেশৰ চুকে-কোণে নাম-ডাক থকা কাশী-পণ্ডিত। তেওঁ নজনা—দুনীয়াখনতে একো নাই। কিন্তু—তেওঁৰ মান পণ্ডিত ব্যক্তিয়ে যদি এতিয়া সামান্য গছ-বিৰিখৰ নাম আওৰাব লাগে—সেয়া হ'ব দুনীয়াৰ পাণ্ডিত্যৰ অপমান।"

এইবাৰ সূত্ৰধাৰে দৰ্শক-বাইজৰ প্ৰবল হাত-চাপৰিৰ মাজত একে একে একৈছা বিধৰ বিৰিখৰ নাম কৈ থকাৰ মাজতে কাশী-পণ্ডিত তাৰপৰা নোহোৱা হ'ল।

চান্দমামা মাক্রোড়পত্র-৬৪

ফলৰ ৰজা

বহাগ আহিল, আমও আহিল। বহাগৰপৰা প্ৰায় ভাদলৈকে প্ৰচুৰ আম। গছতো, বজাৰতো, আৰু আমাৰ ঘৰতো। আজিকালি অৱশ্যে গোটেই বছৰ ধৰি কেঁচা-পকা আম পোৱা যায়। তথাপি, ওনাওনে এপ্ৰিলৰপৰা অগাষ্টলৈকে। দিল্লী-বম্বেত আমৰ মেলাও পতা হয়, আৰু সেই-মেলাত কমেও পঁচিছ বিধৰ আম দেখা পোৱা হয়। প্ৰতিবিধ আমৰেই বেলেগ বেলেগ নাম: যেনে অন্ধ্ৰত স্বৰ্ণৰেখা আৰু মালগাঁও; দাক্ষিণাত্যৰ অন্যান্যত অসংখ্য বিধৰ মাজত নীলম আৰু বাংগানাপল্লী—যাক কলিকতাত তথা পশ্চিম-বংগত 'বেগুণফুলি' বুলি কয়; যুক্তপ্ৰদেশ আৰু বিহাৰত ল্যাংড়া, চৌচা, দশেৰি; পশ্চিমবংগৰ গোলাপখাচ, বোম্বাই, হিমসাগৰ, আৰু ফজলি আদি উল্লেখযোগ্য। অৱশ্যে—ভাৰতৰ আটাইতকৈ বিখ্যাত আৰু নামী-দামী আম হ'ল—মহাৰাষ্ট্ৰৰ আফ'নৃছো আৰু অন্ধ্ৰৰ তেনেক। তেনেক ওজনত ১.৬ কেজিলৈকে হয় আৰু দীঘলে ৩ ছেনটিমিটাৰলৈকে। এই আমকে 'আমৰ ৰজা' বুলি কোৱা হয়, যদিও স্বাদ-গন্ধত ৰজাই 'প্ৰজা' বিলাকৰ কাষও চাপিব নোৱাৰে।

উদ্ভিদ-বিজ্ঞানী লিন্-এ (১৮ শতিকাত) আম গছক 'ম্যাংগিফেৰা ইণ্ডিকা' বুলি নামকৰণ কৰিছিল। আম গছ ১৫ মিটাৰলৈকে ওখ হয়, পাতবোৰ ১৫ ছে.মি. লৈকে দীঘলে আৰু ৬ ছে.মি. লৈকে বহলে, আগ কাল বাঠিৰ দৰে জোঙা, মুঠো মূৰে ক্ৰমাত সৰু। আমৰ মল হয় হালধীয়া-সেউজবুলীয়া।

আম ফল হ'ল যথেষ্ট মঙহাল—ৰসাল। ভিতৰত থাকে এটা টান আমঠু। আম দেখাত আমাৰ 'কলিজা'ৰ দৰে বুলি ক'ব পাৰি। ১৪ শতিকাৰ কবি অমীৰ খছৰুৱে আমক 'ফলৰ ৰজা' বা 'ৰাজফল' বুলি কৈছিল। আম্ৰফলৰ অৰ্থাৎ আমৰ কথা ৰামায়ণ আৰু মহাভাৰততো পৰিলক্ষিত।

মহৎ বিশ্বাসৰ মহান শাস্ত্ৰগ্ৰন্থ

[এই বিশ্বৰ যিকোনো ধৰ্মমতৰ অন্ততঃপক্ষে এখনকৈ বিৰাট শাস্ত্ৰগ্ৰন্থ আছে। কিছুমান ধৰ্মমতত অনেক সংখ্যক শাস্ত্ৰগ্ৰন্থ পৰিলক্ষিত হয়। 'চান্দমামা'ই পৃথিৱীৰ প্ৰতি ধৰ্মমতৰ এখনকৈ শাস্ত্ৰগ্ৰন্থৰ সংক্ষিপ্ততম পৰিচয় এই চ'ৰাত দাঙি ধৰিব।]

বেদ

"ভাৰতীয় চিন্তাধাৰাৰ তথা সুপ্ৰাচীন ঐতিহ্যৰ উচ্চ ৰূপাৰোপ ঋগ্বেদত পৰিলক্ষিত হয়। ঋগ্বেদ হ'ল ভাৰতবৰ্ষৰ প্ৰথম গ্ৰন্থ আৰু মনুষ্যজগতৰো প্ৰথম গ্ৰন্থ। এই গ্ৰন্থত মানৱৰ সুউচ্চ জ্ঞান প্ৰকাশিত।" সুবিখ্যাত পণ্ডিত ৰাধাকুমুদ মুখোপাধ্যায়দেৱে ঋগ্বেদৰ সম্পৰ্কে এই মত প্ৰকাশ কৰিছিল।

অতীততো জগতত বিভিন্ন সভ্যতাৰ উদ্‌গম হৈছিল। কিন্তু 'বেদ'-ৰ সমান কোনো জ্ঞানগৰ্ভী গ্ৰন্থ, বিগত—কমেও চাৰিসহস্ৰ বছৰতো পোৱা নগৈছিল।

বেদ হ'ল চাৰিখন ঃ ঋগ্বেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদ। 'বেদ' শব্দৰ অৰ্থ হ'ল—'জ্ঞান'। বেদৰ ৰচকসকল হ'ল মুনি-ঋষিবৃন্দ। তেওঁলোকে তপস্যা তথা ধ্যানযোগে যি জ্ঞান প্ৰাপ্ত হৈছিল, 'বেদ' হ'ল তাৰেই উদ্ধৃতি। এই কাৰণে—'বেদ'ক 'শ্ৰুতি' বুলিও অভিহিত কৰা হয়। সুপ্ৰাচীন সংস্কৃত ভাষাত বেদ ৰচিত হৈছিল।



বেদ—সেই মুনি-ঋষিগণৰ

শিষ্যসকলৰ চৰ্চাৰ যোগেদি আজিকোপতি আমাৰ তথা ক'বলৈ গ'লে সমগ্ৰ বিশ্বৰ জ্ঞানৰ আকৰ হৈ আছে।

'বেদ' অৰ্থাৎ 'জ্ঞান' আয়ত্ত কৰাৰ বাবে পুৰুষপৰম্পৰাই এই মহৎ গ্ৰন্থৰ চৰ্চা কৰা একান্ত আৱশ্যক।

'বেদ'ত—আলোক, ৰায়ু, বৃষ্টি ইত্যাদি ঋতুৰ দেৱতাসকললৈ প্ৰাৰ্থনা-জ্ঞাপক স্তোত্ৰ আছে। 'বেদ'—মানৱ-জীৱনৰ বিভিন্ন সমস্যাৰ সমাধানকাৰক তথা মানৱ-জীৱনৰ উন্নতিবৰ্ধক। মানৱে কেনেকৈ কি প্ৰণালীৰে জীৱনযাপন কৰিব লাগে—'বেদ'ত সেই বিষয়ৰো প্ৰাঞ্জল উল্লেখ বিদমান।

'বেদ'ত উক্ত স্তোত্ৰসমূহত যথেষ্ট গুপ্ত-ৰহস্য বিদ্যমান। যেনে—'মানৱে কিয় জীৱনধাৰণ কৰিব'? 'কিয় মানৱৰ মৃত্যু হ'ব'? 'মৃত্যুৰ অন্তত মানৱাত্মা ক'লৈ যায়'? 'দেৱতাসকল কোন?' 'সত্য কি'? — ইত্যাদি অসংখ্য অতি আৱশ্যকীয় প্ৰশ্নৰ উত্তৰৰ সমাহাৰ হ'ল—'বেদ'।

এই জগতৰ প্ৰকৃত জ্ঞানী মহৰ্ষিসকলেহে প্ৰকৃতপক্ষে বেদ ব্যাখ্যা কৰিব পাৰে। পৰৱৰ্তীকালত—হিন্দুধৰ্মৰ ধৰ্মীয় বিশ্বাস তথা জ্ঞান পৱিত্ৰ 'বেদ'ত নিহিত হৈছে।



জানো নে ?

১. হিন্দু পুৰাণৰ মতে—প্ৰথম মৰণশীল কোন আছিল ?
২. ৰুশ্ আৰু জাপানৰ মাজত চলি থকা যুদ্ধৰ পৰিসমাপ্তিৰ বাবে মধ্যস্থতা কৰা এগৰাকী আমেৰিকীয় ৰাষ্ট্ৰপতিক শান্তিৰ বাবে ন'বেল বঁটা প্ৰদত্ত হৈছিল। কোন ? কেতিয়া ?
৩. ফিলিপাইন কিমান দ্বীপৰ সমষ্টি ?
৪. এগৰাকী বৃটিছ শাসকে অন্যান্য বৃটিছ শাসকতকৈ দীৰ্ঘকাললৈ শাসন কৰিছিল ? কোন ? কিমান দিনলৈ ?
৫. বম্বেস্থিত 'গেটওৱে অব ইণ্ডিয়া' কোনগৰাকী বৃটিছ ৰজাৰ সন্মানাৰ্থে নিৰ্মিত হৈছিল ?
৬. আমেৰিকাৰ সৰাতোকৈ প্ৰাচীন বিশ্ববিদ্যালয় ?
৭. প্লাষ্টিকৰ আৱিষ্কৰ্তা ?
৮. তুৰ্কিদেশৰ বৰ্তমান ৰাজধানী হ'ল 'আনকাৰা'। আগতে ক'ত ৰাজধানী আছিল ?
৯. ২০০০ বছৰ আগেয়ে এছিয়াত 'আৰম' নামৰ এখন দেশ আছিল। সেইখন দেশৰ বৰ্তমান নাম ?
১০. আফ্ৰিকাৰ আটাইতকৈ বৃহৎ হ্ৰদ ?
১১. সুপ্ৰাচীন বেবিলনত আৰু মিছৰতো ব্যাংক-ব্যৱস্থা থকাৰ কথা জনা যায়। আধুনিক ব্যাংক-ব্যৱস্থা প্ৰথমে ক'ত আৰম্ভ হৈছিল ?
১২. খৃষ্টধৰ্ম গ্ৰহণকাৰী ৰোমীয় ৰজা কোন আছিল ?
১৩. মহাকাশ যানৰপৰা বাহিৰলৈ ওলাই আহি মহাকাশত খোজ কাঢ়ি ফুৰাজনৰ নাম ?
১৪. চণ্ডিগড় নগৰৰ পৰিকল্পনা কোনে কৰিছিল ?
১৫. সংস্কৃতত 'ইণ্ডাছ' নদীৰ নাম কি আছিল ?

উত্তৰ

১. যম।
২. থিঅ'ডোৰ ৰুজভেল্ট, ১৯০৬ চনত।
৩. সাত হাজাৰ দ্বীপ।
৪. মহাৰাণী ভিক্টোৰিয়া, ৬৩ বছৰলৈ, (১৮৩৭—১৯০১)।
৫. ৰজা পঞ্চম জৰ্জ।
৬. হাৰভাৰ্ড বিশ্ববিদ্যালয়, ১৬৩৬ চনত প্ৰতিষ্ঠিত।
৭. আলেগজান্দাৰ পাৰ্কছ।
৮. ইস্তাম্বুল।
৯. ছিৰিয়া।
১০. ভিক্টোৰিয়া হ্ৰদ।
১১. ইতালি।
১২. কনষ্টানটাইন দ্য গ্ৰেট।
১৩. আলেক্সেই লিঅ'নভ, ১৯৬৫ চনত।
১৪. ফৰাছি স্থপতি লে কৰবুছিয়ে।
১৫. সিন্ধু, অৰ্থাৎ—সাগৰৰ দৰে সুবিস্তৃত মধ্য এছিয়াত আৰ্য্যসকলে ইমান বহল নৈ আৰু দেখা নাছিল বাবেই তেনেকুৱা নামকৰণ কৰা হ'ল বুলি অনুমান।

গুপ্তধন-ৰহস্য

বিদ্যা লাগিলে—যাৰ যিমানেই নাথাকক, পৈণতালি নাথাকিলে কেৱল বিদ্যাৰেই কোনো কাম নিসিজিব। সদানন্দৰ ক্ষেত্ৰতো কথা সেই। সদানন্দ ভালেমান বিদ্যাৰ অধিকাৰী: কিন্তু কোনো বিদ্যাতেই সি পাৰগ-পৈণত নহয়। কথাটো—বহু দিনৰ পাছত তাৰ ঘৰলৈ অহা তাৰ শিক্ষা-গুৰুৱেও ইকথা-সিকথাৰ মাজতে তাক কৈছিল। কৈছিল যে—শিষ্য সদানন্দই খেতি-বাতিত ধৰি ঠিক কামকে কৰিছে, এয়ে হেনো তাৰ যোগ্য কাম।

"কিন্তু গুৰুদেৱ, এইবোৰ কৰিবলৈ একেবাৰে মন নাযায়; কিন্তু মোৰ যি দেখিছোঁ—আন উপায়ো নাই।"

"শুনা, যাৰ যি তাৰ সি—এয়ে হ'ল সাৰ, নপুংসকৰ পুংসবন হয় যে অসাৰ।" গুৰুৱে হাঁহি হাঁহি ক'লে, "এটা কাম কৰা। মই তোমাক মোৰ লিখিত যিখন পুস্তিকা দিছিলোঁ, সেইখন লৈ আহা, তোমাক বিশদ বুজাই দিওঁ।"

"সেই পুস্তকখন — সেইখন মোৰ কোনো কামত নালাগিব বুলি ভাবি মই মোৰ বন্ধু—ওঁ—বন্ধু শ্ৰীধৰকে দিছিলোঁ।"

"পুস্তিকাখন তোমাৰ হাতত নাই—? বোপাহে—আৰু পাবানে ফিৰাই?"

"কিয় নাপাম, গুৰুদেৱ?"

"জানাই নহয়—পুস্তকম্ বনিতা বিত্তং —পৰহস্তং গতং গতঃ।" গুৰুৱে ক'লে।

"মই যেতিয়াই লাগে পুস্তকখন লৈ অহিব পাৰিম।" সদাদন্দই ক'লে।

"বাৰু, আনা তেন্তে। মই পুনৰ পাঁচদিনৰ পাছত আহিম।" এই বুলি



কোৰাৰ অন্তত গুৰুদেৱ গুচি গ'ল।

সেই দিনাই সদানন্দ শ্ৰীধৰৰ ওচৰলৈ গ'ল আৰু সেই পুস্তকখন তাৰ পৰা খুজিলে। শুনি শ্ৰীধৰে চিন্তিতভাৱে ক'লে, "তুমি—তুমি মোক কোনো কিতাপ-টিতাপ দিছিলা বুলি মোৰ মনত পৰা নাই দেখোন!"

"এনেকৈ নক'বা। ভালকৈ ভাবি চোৱা। সেইখন পুস্তক'ত মোৰ গুৰুৰ উপদেশ আৰু অন্য এটি গুপ্ত-ৰহস্যও লিখিত আছে সেই গুপ্ত-ৰহস্য গুৰুদেৱে উদ্ধাৰ কৰি দিব বুলি কৈছে। তেতিয়া মই এক গুপ্তধন বিচাৰি উলিয়াব পাৰিম। পুস্তকখন যদি দিব পাৰা—সেই গুপ্তধনৰ এভাগ তোমাকো দিম।" সদানন্দই সাগৰত কাঠি-জাল মাৰি চালে।

শ্ৰীধৰৰ পৰিবাৰ শ্ৰীলেখাই সিহঁতৰ মাজত হোৱা কথাখিনি শুনিছিল। পৰিবাৰেও কিতাপখন বিত বিতকৈ বিচাৰিলে, কিন্তু বহু সময় ধৰি বিচাৰিও উলিয়াব নোৱাৰিলে।

গুপ্তধনৰ লোভ দেখুৱাই পুস্তকখন পোৱাৰ দ্বিতীয় উপায়ো ব্যৰ্থ হোৱাত সদানন্দ কিঞ্চিত চিন্তাত পৰিল আৰু অৱশেষত—বহুতোপৰলৈকে ভাবি ভাবি সদানন্দই শ্ৰীধৰৰ ঘৰৰ কামকৰা মানুহ-জনীক—অৰ্থাৎ পদুমীক মতাই অনালে আৰু তাইক ফুচফুচাই কিবাকিবি ক'লে।

শ্ৰীধৰ তেতিয়া ঘৰত নাছিল। পদুমীয়ে শ্ৰীলেখাক ক'লে, "নবৌ, দাদাই সেই সৰু কিতাপখন ক'লাপানী গাঁৱৰ কানিকা নামৰ সেই ভেলেকীবিদ্যাজনা জাদুকৰীক দিয়া নাছিলনে? নিশ্চয় কিতাপখন তাইৰ হাততে আছে। কেনেবাকৈ তাইৰপৰা আনিব পাৰে যদি গুপুতধন আপোনালোকেও পাবই নহয়?"

কানিকা নামৰ সেই তিৰোতাজনী যে ভেলেকী-জনা মানুহ এজনী—দহোখন গাঁৱৰ ৰাইজে জানে। তাই বশীকৰণ-মন্ত্ৰ,

উচাটন-মন্ত্ৰ আদি আদি তন্ত্ৰ-মন্ত্ৰ'ৰ কামত দক্ষ। কিন্তু—গিৰিয়েক শ্ৰীধৰ কানিকাহেন্ কাচৰৰ পেৰীজনীৰ ওচৰলৈ গৈছিল—কেলেইনো ? এই কথাটোৱে শ্ৰীলেখাক দিগ দি থাকিল।

কথাটো গিৰিয়েকক সোধাত শ্ৰীধৰ বিপাঙত পৰিল, শ্ৰীধৰে বাৰে বাৰে ক'লে যে সি জীৱনতো সেই কাচৰৰ পেৰী কানিকাৰ কাষকে চপা নাই; কিন্তু শ্ৰীলেখাই শ্ৰীধৰৰ কথাত পতিয়ন নগ'ল।

সদানন্দই যেতিয়া বহু চেষ্টা কৰিও একোপধ্যেই সেই পুস্তকখন উদ্ধাৰ কৰিব নোৱাৰিলে, তেতিয়া সি শ্ৰীধৰক হুমিয়ালে "আজি বেলি মাৰ যোৱাৰ আগে আগে যদি মোক মোৰ পুস্তকখন ওভোতাই নিদিছা, তেনেহ'লে গধূলিলৈ পৰ্বত তোমাৰ ওচৰলৈ যাব যে—জানিছা নহয় ?"

পৰ্বত হ'ল সেই অঞ্চলৰ নাম-ডাক থকা পালোৱান। পৰ্বতৰ নাম শুনিয়েই শ্ৰীধৰে ধাৰৰ নল-কঁপা দিলে। পৰ্বত পালোৱানক ৰাইজে বকাসুৰৰ ভায়েক বুলিহে গণে। শ্ৰীধৰ গুচি গ'ল, কিন্তু ঘৰলৈ নগ'ল; গ'ল চুবুৰীয়া গাঁৱৰ চিনাকি এঘৰলৈ, তাতে লুকাই থাকিল।

পাঁচদিনৰ দিনা সদানন্দৰ গুৰুদেৱ সদানন্দৰ তালৈ আহিল; কিন্তু সদানন্দই যেতিয়া পুস্তকখন দিব নোৱৰা হ'ল, তেতিয়া তেওঁ সদানন্দক ক'লে, "কথাটো তোমাক মই কৈছিলোঁৱেই নহয়—? পুস্তক, পত্নী আৰু ধন—আনক দিলে আৰু উভতি নাহে। এই সামান্য কথাষাৰো মনত নপৰিছিলনে তোমাৰ ?"

"গুৰুদেৱ, আপুনি সদায়েই মোৰ দূষণহে ধৰে আৰু মোক কদৰ্থনা-ভৰ্ৎসনা কৰে। কিন্তু আপুনি শিক্ষাদান কৰা 'উদ্ধাৰৰ চাৰি উপায়—ময়ো চেষ্টা কৰি চাইছিলোঁ, কোনো ফল নহ'ল।" তাৰ পাছত সদানন্দই তাৰ গুৰুক তাৰ চেষ্টা-প্ৰচেষ্টাৰ কথা বিবৰি ক'লে।

"যি-বিদ্যাৰে প্ৰকৃত কাম নহয়—সেই বিদ্যাৰ্জন নিষ্ফল।" গুৰুদেৱে হুমুনিয়াহ কাঢ়ি ক'লে, "তোমাৰ স্মৃতিশক্তি বোলা একো নাই দেখিছোঁ!"

"কিন্তু—বিদ্যাশিক্ষা যদি ত্ৰুটিপূৰ্ণ হয় গুৰুদেৱ—?" সদানন্দই কিঞ্চিত ক্ৰুদ্ধ কণ্ঠেৰে ক'লে গুৰুক।

গুৰুদেৱে মৃদুকৈ হাঁহিৰে ক'লে, "হাৰে সদানন্দ! যোৱা চাৰিটা দিন ধৰি মই তোমালোকৰ চুবুৰীয়া গাঁও চিলমিল গাঁৱতে আছিলোঁগৈ। মোৰ বিদ্যা-শিক্ষাৰপৰা যিজন লাভৱান হৈছে, সেইজন সেইখন গাঁৱতে আছে। সেইজনে মোক তাত পাই ইমান আনন্দিত হৈছিল যে! মোক এই কেইদিন ধৰি খুব আদৰ-সাদৰো কৰিছিল। তুমি যে বিদ্যাগ্ৰহণত ব্যৰ্থ, তোমাৰ যে স্মৃতিশক্তি বোলা একো নাই, সেই কথা দেখ দেখ!"

সদানন্দই বিমূঢ় দৰে ক'লে, "কিয়—?"

"যিখন পুস্তকত তুমি জীৱনৰ বাবে লাভদায়ী একোৱেই বিচাৰি নাপালা, সেইজনে সেইখন পুস্তকেৰেই জীৱনত বহুতো কিবাকিবি গুপ্তধন বিচাৰি পালে। তুমি মোৰ শিষ্য হৈও নিষ্ফল, সেইজন মোৰ শিষ্য নহৈও সফল। তুমি পুস্তকখনৰ বাবে শ্ৰীধৰক জলা-কলা কৰিছিলা; কিন্তু পুস্তকখন দিছিলা—শ্ৰীধৰক। গতিকে—তোমাৰ নিচিনা অকামিলাই কেনেকৈ বিদ্যাৰ্জনৰ যোগেদি গুপ্তধন বিচাৰি পাব—তুমিয়েই কোৱাচোন বাৰু?" গুৰুদেৱে ঈষৎ ক্ৰুদ্ধ কণ্ঠেৰে ক'লে।

গুৰুৰ বচন শুনি সদানন্দ লাজতে তলমূৰ হ'ল আৰু গুৰুক সাষ্টাংগে প্ৰণাম কৰি তেওঁৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিলে।

সদানন্দই শ্ৰীধৰৰপৰাও ক্ষমা প্ৰাৰ্থনা কৰিছিল আৰু তাৰ পাছত মনপুতি খেতি খোলা কৰি সন্মানেৰে আৰু অপাৰ শান্তিৰে জীৱন নিয়াইছিল।



আৰাম হাৰাম হ্যায়

দন টানি খাই দণ্ডনাথে আৰাম কৰি আলে-জালে বহিল। বয়সে বৈ নাথাকিল, কেতিয়া সিপাৰৰপৰা মাতে কি ঠিক—'নিলা আয়ু আলে-জালে, কেতিক্ষণে ধৰে কালে'—বোলা কথা।

যি কি নহওক—দণ্ডনাথ এনেয়েও বহি খোৱা ফুকনেই, কাম-বনৰ কাষেদিও নাযায়, দৰকাৰো নাই যাবৰ। সিদিনাও দন টানি খাই-বৈ নানান অসম্ভৱ চিন্তা কৰি থাকোঁতে হঠাৎ তাত মানুহ এজন আহিল আৰু দণ্ডক সুধিলে, "ইয়াত—দণ্ডনাথ ডাঙৰীয়া ক'ত থাকে ক'বনে?"

লাওখোলাৰ ভিতৰত পোকে খোৱা দণ্ডনাথে সেই আগন্তুক মানুহজনক ক'লে, "ক'ম। এই গাঁৱৰে উত্তৰ দিশত বি শিৱ-দ'ল আছে—দণ্ডনাথ তাতেই থাকে বুলি— শুনিছোঁ। আৰু কি বোলেনে—জানাই নহয়—শুনা কথাৰ নাক নাই, জনা কথাৰ কাণ নাই—।"

মানুহজন গাঁৱৰ উত্তৰ দিশলৈ গ'ল আৰু ঘূৰি আহি পুনৰ দণ্ডনাথক ক'লে, "হেৰি ডাঙৰীয়া, তাত দেখোন তেনেকুৱা কোনো নাই, আৰু তাৰ মানুহেও দণ্ডনাথৰ ঘৰ এই ইয়াতে বুলিয়েই দেখোন ক'লে।"

"এ—ক'ৰবাৰ কোন হয়বৰীয়াই কি ক'লে কি নক'লে তাৰ মই কি জানোহে?"

"কিন্তু—তে নে হ'লি ক'ত পাম দণ্ডনাথক—?"

"চি—ধ্ ধাই যোৱাগৈ। দখিণ দিশলৈ গৈ থাকা গৈ থাকা—গৈ গৈ ডাঙৰ পুখুৰী—যাক সৰোবৰ বুলি কয়—পাবা এটা, আৰু পাবা এজোপা বৰ, তাতে

হ'বলা দণ্ডনাথৰ ঘৰ।" দণ্ডনাথে ক'লে।

গ'ল আগন্তুক, কিছু সময়ৰ অন্তত আকৌ দণ্ডনাথৰ ওচৰলৈ উভতি আহিল আৰু ক'লে, "হে—এ—ৰি ডাঙৰীয়া, তাৰ মানুহে ক'লে বোলে এই ঘৰটোহে দণ্ডনাথৰ। পুখুৰীৰ ওচৰে-পাজৰে তেনেকুৱা নামৰ কোনো-কেও নাই দেখোন!"

দণ্ডনাথে কৈ উঠিল, "তুমি বৰ আচৰিত মানুহহে! কি—কৈছা কি বুলিছা—মই মাথা-মুণ্ড বিচাৰি নাপাওঁ। পিছে—এই ঘৰত দণ্ডনাথ বোলা কোনো নাই—জানিছাই নহয়? শুনিছিলোঁ—পুখুৰীৰ পাৰতে দণ্ডনাথৰ পঁজা কি পকী ঘৰ। যা হওক যি হওক—এইবাৰ তুমি পচিম দিশলৈ গৈ থাকা। তাত পাবা এখন খাজিখোৱা কিজানি দণ্ডনাথ তাতেই।"

মানুহজন গ'ল, ঘূৰিও আহিল, আৰু পুনৰ দণ্ডনাথক কোৱা হ'ল, "হে—ই—ৰি ডাঙৰীয়া, খা জি খো ৱা ৰ আশ-কাষত তেনেকুৱা নামৰ কোনো নাছিল নাই নাথাকে বুলি চব্বেই ক'লে, আৰু ক'লে যে—দণ্ডনাথৰ ঘৰ এইটোৱেই।"

"এতিয়া তুমি এটা কাম কৰা, পুব দিশলৈ যোৱা, গৈ গৈ গৈ গৈ—তাত, পাবা ঢেৰ কাঁইটীয়া গছ, তাতে সুধি-পুছি পালেও পাব পাৰা।" দণ্ডনাথে ক'লে।

গ'ল তাসৈ মানুহজন, আহিল ফিৰি, আৰু ফিৰি আহি দণ্ডনাথক ক'লে, "হে—এ—ই—ৰি ডাঙৰীয়া, তাতো দেখোন দণ্ডনাথ নামৰ কাকো বিচাৰি নাপালোঁ, আৰু যাকে সুধিলোঁ ক'লে বোলে—এইটোৱেই দণ্ডনাথৰ ঘৰ। আৰু মই ঘূৰি ফুৰিব নো ৱা ৰি ছোঁ, বৰ ভাগৰি পৰিছোঁ। মই এতিয়া গুচি যাম, আৰুনো কি কৰিম?" এই বুলি কৈ আগন্তুক যিফালৰপৰা আহিছিল—সেই পো নে পুনৰ আগবাঢ়িল।

তেতিয়া দণ্ডনাথে ভাবিলে: এইবাৰ এই হৈ-খেল বন্ধ কৰা যাওক। দণ্ডনাথে

আগন্তকক ক'লে, "শুনা, মইহে তিৰীৰ দণ্ডিত পান্তা খোৱা দণ্ডনাথ। এতিয়া কোৱা, দণ্ডনাথক—মানে—মোক কিয় লাগে—তোমাক কি লাগে।"

আগন্তক মানুহজনে ভ্ৰূ কোঁচাই ক'লে, "বুইছে নহয় ডাঙৰীয়া, সেই জনাৰ্দন ডাঙৰীয়া আছিল আপোনাৰ পৰম বন্ধু—হয়নে নহয়? তেওঁৰপৰা খবৰ এটা কঢ়িয়াই লৈ আহিছিলোঁ—আপোনালৈ। জনাৰ্দন ডাঙৰীয়া আজি ধলপুৰাতে ঢুকাল। তেওঁৰ যে কোনো ল'-ছালী নাছিল— নাই—কিন্তু আছিল— আছে বিৰাট সা-সম্পত্তি। তেওঁ মৰাৰ আগতে কৈ আৰু লিখি থৈ গৈছিল যে—তেওঁৰ দুজন পৰম বন্ধুৰ মাজত যিজনে আগতে আহিব আৰু তেওঁৰ দহাকাম কৰিব—তেৱেঁই হ'ব তেওঁৰ অগাধ সা-সম্পত্তিৰ গৰাকী। মই হ'লোঁ জনাৰ্দন ডাঙৰীয়াৰ চাকৰ। তেওঁ মৰাৰ আগমুহূৰ্তত এই সমিচাৰ দণ্ডনাথক—মানে—আপোনাক যেনেতেনে দিবলৈ মোক কৈ গৈছিল—বুলিহে মই আপোনাক বিচাৰি ইমান দূৰৰপৰা বাটকুৰি বাই আহিছিলোঁ। মই যে খবৰটো যিমান শীঘ্ৰে সম্ভৱ দিবলৈ প্ৰায় দৌৰি দৌৰি ইয়ালৈ আহিছিলোঁ—আপুনি জানেনে? যি কি নহওক—জনাৰ্দন ডাঙৰীয়াৰ সা-সম্পত্তি আপুনি আৰু নাপায়, কিয়নে, আপুনি ধেমালিতে সময় নষ্ট কৰিলে আৰু সেই সময়ৰ ভিতৰত নিশ্চয় জনাৰ্দন ডাঙৰীয়াৰ অন্য বন্ধুজনে তেওঁৰ দহাকাম কৰি পেলালে। জানেই, সময়ৰ লগত মানুহে ধেমালি কৰিলেও সময়ে ধেমালি নকৰে।" এই বুলি কৈয়েই মানুহজন গুচি গ'ল।

শুনি দণ্ডনাথৰ মূৰ আচন্দ্ৰাই কৰি উঠিল। তাৰ আৰামেই যে হাৰাম হ'ল—সেই কথা দণ্ডনাথে হাড়ে-হিমজুৰে বুজি পাই দিনতে আন্ধাৰ দেখিলে।

বি-সম্বাদৰ ঝমক

মাক-দেউতাক হুঁচিয়াৰ!

শিক্ষাক্ৰম সমাপ্ত নকৰাকৈ কোনোবা ছাত্ৰে যদি পঢ়াশালি এৰি যায়গৈ, তেনেহ'লে—ছাত্ৰক নহয়, ছাত্ৰৰ মাক-দেউতাককহে দণ্ড দিয়া হ'ব। নহয়, ভয় খাব নালাগে, আমাৰ ইয়াত নহয়, চীনত। চীনদেশত শিক্ষা-ব্যৱস্থা ফ্ৰি আৰু বাধ্যতা-মূলক। তাত যদি ছাত্ৰে বিদ্যালয়ত আৰু ভৰি নিদিয়া হয়, সাম্প্ৰতিক নিয়ম অনুযায়ী—আমাৰ ১০০ টকাৰপৰা আৰম্ভ কৰি ১.৭০,০০০ টকালৈকে জৰিমনা ছাত্ৰৰ মাক-দেউতাকে ভৰিব লগীয়া হ'ব পাৰে। ছাত্ৰ কোন ক্লাছৰ —তাৰ ওপৰত জৰিমনাৰ পৰিমাণ নিৰ্ভৰশীল। বেজিঙত ৯৯.৭ ভাগ ছাত্ৰেই পঢ়াশালিলৈ নিয়মিত আহে।

কাছনত নহয় সাঁচনৰ ধন

কথাতে বোলে—'সাঁচনৰ ধন কাছনত গ'ল'। কিন্তু জাপানদেশৰ জাপ'ৰো নামৰ চহৰত যিটি ঘটনা ঘটিল—তাৰে সাঁচনৰ ধনৰ গুণ-গৰিমা গাবই লাগিব। দুৱাৰত খটখটনি উঠাত গিৰিহঁতনীয়ে দুৱাৰ খুলি দিলে আৰু লগে লগে হাতত খোলা

ডেগাৰ লৈ সোমালহি এটা চোৰ। তাক—ঘৰত যিখিনি ধন আছে—লাগে, নহ'লে খতম্! কাণ্ড চাই ঘৰৰ সৰু ছোৱালীজনীয়ে তাইৰ সাঁচনৰ ধনৰ টেমাটো চোৰটোক দিলে আৰু সেই সাঁচনৰ ধন ১৭,০০০ ইয়েন (আমাৰ প্ৰায় ৪৫০০ টকা) লৈ চোৰ-বপুৰাই ঘিটিং মাৰিলে—বুলিহে গিৰিহঁতনীয়ে কথমপি ডেগাৰৰপৰা সাৰিব পাৰিলে!

অবলী-অবলা!

আমেৰিকাৰ ফ্ল'ৰিডাৰ ফ'ৰ্ট লডাৰডে'লৰ মহিলা এগৰাকীৰ ভৰিত চেপটিক হোৱাত তেওঁক হস্পিটেললৈ লৈ যোৱাৰ দিহা কৰা হ'ল। কিন্তু নিয়েনো কেনেকৈ? এওঁ—দেখাতহে চুটি, ওজনত —৩২০ কে. জি. (৭০০ পাউণ্ড)! আৰু যে ধুমুৰীৰো ধুমুৰী! তেওঁ তেওঁৰে ঘৰৰ আগদুৱাৰেদি ওলাব নোৱৰাত দহজন মানুহে ডুঘণ্টা ধৰি তেওঁৰ কোঠাটোৰ দেৱাল ভাঙিহে তেওঁক তেওঁৰ ঘৰৰপৰা উলিয়াই আনিব পাৰিছিল, আৰু—আৰু দহজন-মানক মাতি আনি তেওঁলোকৰ সাহায্যত এম্বুলেন্সত কথমপি উঠাই হস্পিটেল পোৱাইছিল!

ত্ৰিছীয়া পুতলা!

১৯৪৫ চনত দ্বিতীয় বিশ্বযুদ্ধৰ যেতিয়া অন্ত পৰিছিল, ঠিক তেতিয়াই আমেৰিকাই জাপানৰ হিৰোশ্বিমা আৰু নাগাছাকিৰ ওপৰত আটম-বোমা দলিয়াই-ছিল। আমেৰিকান সৈন্যইঁতক তেতিয়াৰ দিনত 'গাঈ' বুলি মতা হৈছিল। যুদ্ধৰ যৱনিকা পৰিল, এক পুতলা-নিৰ্মাতা প্ৰতিষ্ঠানে 'গাঈ জো' নাম দি এবিধ বন্দুকবাজ পুতলা উলিয়ালে। এই পুতলাই বিৰাট বজাৰ পালে। এয়া ১৯৬৪ চনৰ কথা। ৩০ বছৰ ধৰি এই 'গাঈ জো' পুতলা উৎপাদিত হৈছে আৰু অদ্যাবধি ২২০,০০০,০০০টা 'গাঈ জো' পুতলা বিক্ৰি হৈছে। আমেৰিকাৰ শতকৰা ৬০ ভাগ ল'ৰায়েই এই বন্দুক-বাজ 'গাঈ জো' কিনিছে!



বীৰ হনুমান

৪৭

দ্যূতক্ৰীড়াত অৰ্থাৎ জুৱাখেলত কৌৰৱৰ হাতত পৰাস্ত হোৱাত পাণ্ডৱসকলে চুক্তিমতে বনবাস কৰিবলগীয়া হ'ল। বনবাস-কালত এদিন যেতিয়া দ্ৰৌপদী কুন্তীপুত্ৰ ভীমৰ সৈতে বহি হিমালয়ৰ মনমোহা দৃশ্যৰাজিলৈ চাই বহি আছিল, তেতিয়া হঠাৎ এক বিচিত্ৰ পুষ্প কোবাল বতাহে উকৰাই আনি পোনে পোনেই দ্ৰৌপদীৰ কোলাত পেলালে।

এই পুষ্প আছিল—অলকাপুৰীৰ এক সুবৃহৎ সৰোবৰত ফুলা পদ্ম, অৰ্থাৎ পদুম বা কমল। কুবেৰে প্ৰতিদিন শিৱপূজা কৰাৰ বাবে এই কমল-পুষ্পক ৰথেৰে কঢ়িয়াই লৈ যায়। দ্ৰৌপদীৰ কোলাত উৰি পৰা কমলটিও কুবেৰে ৰথেৰে কঢ়িয়াই লৈ যোৱা পুষ্প আছিল, প্ৰবল বায়ুৱে ৰথৰপৰা উকৰাই পেলাইছিলহি।

এই পুষ্প দেখাত আছিল অতি নয়ন মনোহৰ! দ্ৰৌপদীয়ে কুন্তীপুত্ৰ ভীমক খাটিলে এই পুষ্প য'ৰপৰা যেনেকৈয়েই নহওক তেওঁক আনি দিব লাগে।

দ্ৰৌপদীয়ে ক'বলৈ পালেহে, কুন্তীপুত্ৰ ভীম গদা হাতত লৈ ওলাই পৰিল।

গৈ গৈ ভীমে হিমালয়ৰ নামনিত থকা সুদৃশ্য কদলীবন পালেগৈ।

তেতিয়া সেই কদলীবনত শ্ৰীকৃষ্ণৰ আদেশনুসাৰে হনুমান বসবাস কৰিছিল। হনুমান তেতিয়া বৃদ্ধ। তেওঁ তাত একমনে ৰামনাম জপি আছিল। হনুমানৰ বিৰাট নেজডাল বাটৰ বাধা হৈ বাটত পথালিকৈ পৰি আছিল।

ভীমে ভাবিলে: এই নেজ বান্দৰৰহে



নেজ, মই অতি হেলাৰঙে ডেই যাব পাৰোঁ ; কিন্তু সি-বান্দৰে ইমান সাহ কৰিব পায়নে? কিয় বাটৰপৰা তাৰ দীঘল নেজডাল নুগুচাব সি? ভীমে তেওঁৰ উপস্থিতিৰ কথা বান্দৰটোৰ কৰ্ণগোচৰ কৰিবৰ মনেৰে ভূমিত প্ৰচণ্ড শব্দ কৰি গোৰ এটা মাৰিলে।

হনুমানে নীৰস মাতেৰে ক'লে, "বোপা, মই বুঢ়া হ'লোঁ, মোৰ শৰীলত বল-শকতি বোলা আৰু একো নাই। উঠি থিয় হ'বলৈকো মোৰ বহু সময় লাগিব ; তুমি মোৰ নেগুৰডাল বাটৰপৰা গুচাই দিয়া।"

ভীমে তেওঁৰ গদা মাটিৰ ওপৰত থৈ দিলে আৰু সেই দীঘল নেগুৰডাললৈ চালে আৰু তাৰ পাছত — নেগুৰডাল বাটৰ একাষলৈ গুচাই দিবলৈ চেষ্টা কৰিলে। কিন্তু—কেনে আচৰিত কাণ্ড! সামান্য বান্দৰ এটাৰ নেগুৰডাল সহস্ৰ চেষ্টাতো তিলমানো দাঙিব নোৱাৰিলে।

এই নেগুৰ-কটাৰ নেগুৰ এডালকো ভীমহেন বলীয়ে চুলি-পৰিমাণো গুচাব নোৱাৰি ক্ৰোধিত হৈ গদাৰে বান্দৰটোক এসেকা দিবলৈ যো-জা কৰাত হনুমানে হাঁহি মাৰি ভীমক ক'লে, "অ—! গদা-যুদ্ধলৈ মোক আহ্বান জনাইছা! চোৱাঁ, মোৰো গদা এটি নথকা নহয়, সৌ তাত পৰি আছে। বোপাটি, গদাটো আনি দিবানে মোক?"

কিন্তু ভীমে চেষ্টা কৰা সত্বেও— গদাটো আনি দিয়াৰ কথা বাদেই—বহু চেষ্টাতো সমান্যমানো দাঙিব নোৱাৰিলে। দাঙিবলৈ চেষ্টা কৰি কৰি যেতিয়া ভীম পৰিশ্ৰান্ত হৈ পৰিল, তেতিয়া বৃদ্ধ হনুমানে হেলাৰঙে সেই বিৰাট গদাটো দাঙি আনিলে আৰু ভীমৰ দেহত সেই গদাটো আলফুলে থৈ দিলে—যেনিবা, হনুমানে ভীমক গদাৰে আশীৰ্বাদহে কৰিলে।

এইবাৰ ভীমৰ অসহ্য হ'ল বান্দৰটোৰে কৰা ঘোৰ অপমান। ভীমে হনুমানক

গদাৰে এমাৰ মাৰিবলৈ লোৱাত হনুমানে বহি বহিয়েই তেওঁৰ গদাৰে ভীমৰ গদা-টোক কেনিবালৈ ওফৰাই পেলালে।

তাৰ পাছত উভয়ৰ মাজত কিছুপৰলৈ চলি থাকিল গদা-যুদ্ধ। আৰু এসময়ত ভীমৰ হাতত থকা বিৰাট গদাটোও দলিয়াই পেলাই মল্লযুদ্ধলৈ সাজু হ'ল।

যেতিয়া দুয়ো মল্লযুদ্ধ কৰি আছিল, তেতিয়া এটা কথা ভীমে স্পষ্টৰূপে উপলব্ধি কৰিলে যে—মন কৰিলে এই বান্দৰটোৱে তেওঁক নিমিষতে বগৰাই দিব, পাৰিব। কিন্তু—কিবা দুৰ্জ্জেয় কাৰণত—এই মহাবান্দৰটোৱে এই কাৰ্য্য কৰাৰপৰা বিৰত হৈ আছে:

এই সত্য জানি, ভীমে হনুমানৰ আগত আঁঠু লৈ ক'লে, "হে মহানুভৱ! আপুনি যে কোন—এতিয়াহে মোৰ এই জ্ঞান হ'ল। আপুনি হ'ল — বীৰশ্ৰেষ্ঠ হনুমান। মই পৱন-পুত্ৰ দেৱতাৰ প্ৰসাদ, কুন্তীপুত্ৰ, ধৰ্মৰাজ ভ্ৰাতা—ভীম। মোৰ প্ৰতি কৃপা কৰক!"

হনুমানে অতি বাৎসল্যৰে হাতত ধৰি ভীমক থিয় কৰালে আৰু ক'লে, "হে মোৰ সহোদৰ, আমি উভয়েই পৱন-পুত্ৰ।"

ভীমে ক'লে, "হে মহাত্মা! আপোনাৰ বিৰাট ৰূপ দৰ্শন কৰিবলৈ মোৰ বৰ মন।"



হনুমানে ক'লে, "হে সহোদৰ, এইটো যুগ হ'ল—দ্বাপৰ যুগ। এই যুগত মোৰ বিৰাট ৰূপ দৰ্শনৰ সম্ভাৱনা নাই। তথাপি, তোমাৰ আগ্ৰহৰ পৰিতুষ্টিৰ বাবে যিমানলৈকে সম্ভৱ—দেখুৱাম।" এই বুলি কৈ, হনুমানে তেওঁৰ দেহ বিস্তৃত কৰিলে, আৰু মেঘ-মণ্ডল ভেদি উচ্চও কৰিলে।

এই দৃশ্য দেখি ভীম সাতিশয়—বিস্মিত আৰু চমৎকৃত হ'ল।

তাৰ পাছত হনুমানে পুনৰ আগৰ স্বাভাৱিক ৰূপ ধাৰণ কৰিলে আৰু ভীমক সুধিলে, "কিন্তু—তুমি কিয় কি কামত ওলাইছা—নক'লা দেখোন।"

ভীমে হনুমানক সকলো কথা ক'লে।

"ভীমসেন, সেই পদুম, সৌগন্ধিকা কমল একমাত্র দল-সৰোবৰত ফুলে আৰু সেই দল-সৰোবৰস্থ কমল ৰক্ষাৰ দায়িত্বকেশিকি নামৰ এক যক্ষিণীয়ে কঢ়িয়ায়। কেশিকিৰ আগত কোনো বল বা পৰাক্রমে গুণ নিদিব, সকলো ব্যৰ্থ হ'ব। এনেহেন কোনো অস্ত্ৰাপি ওলোৱা নাই। কিন্তু একমাত্র ৰামনামেইহে তোমাক কেশিকিৰ মায়াজালৰপৰা আঁতৰাই ৰাখিব পাৰিব। মনত ৰাখিবা, কেশিকি যখিনী হ'ল শিৱদীক্ষাপৰায়ণা। তুমি মোৰ গাৰ নোম কিছুখিনি লৈ যোৱা। কেশিকি যখিনীয়ে যেতিয়াই কিবা বাধাৰ সৃষ্টি কৰিব, এই নোম ভূমিলৈ দলিয়াই দিয়াৰ লগে লগেই তাত শিৱলিংগৰ সৃষ্টি হ'ব। আৰু কেশিকি যখিনীয়ে সেই শিৱলিংগক পূজি থাকিব। তুমি তিমানতে তোমাৰ নামখিনি সুকলমে কৰি পেলাবা আৰু পুনৰ মোৰ ওচৰলৈ আহিবা।"

হনুমানে তেওঁৰ নেগুৰডালৰপৰা কিছুখিনি নোম ছিঙি লৈ ভীমক দিলে আৰু ভীমক দল-সৰোবৰলৈ যোৱাৰ পথ ভালকৈ দেখুৱাই দিলে।

দল-সৰোবৰৰ ওচৰ পাই ভীমে কেশিকি যখিণাক মোহিনী বেশত দেখা পালে। ভীমে ৰাম নাম জপিবলৈ ধৰিলে। নাচি নাচি গীত গাই গাই মোহিণী যখিণী কেশিকিয়ে ভীমক মায়াজালত বন্দী কৰাৰ মনেৰে যেতিয়া আগুৱাই আহি থাকিল, তেতিয়া ভীমে হনুমানৰ নোম ভূমিলৈ দলিউৱাত লগে লগে তাত শিৱলিংগৰ সৃষ্টি হ'ল আৰু কেশিকি যখিণী তাত ৰ'ল। কেশিকি যেতিয়া শিৱলিংগৰ পূজাত ৰত হ'ল, তেতিয়া, সেই ছেগতে, ভীমে ৰাম নাম সুঁৰৰি দল-সৰোবৰত নামিল আৰু দলসৰোবৰৰপৰা 'সৌগন্ধিকা' কমল বুটলি লৈ পলাল।

ভীম পুনৰ হনুমানৰ কাষ চাপিল আৰু

মই অৰ্জুনৰ ৰথৰ পতাকাত সূক্ষ্মৰূপে থাকিম আৰু অৰ্জুনক সৰ্বপ্ৰযত্নে ৰক্ষা কৰিম। তোমালোকেই যে বিজয়ী হ'বা—সেই কথা নিশ্চিত। তুমি নিশ্চিন্ত মনেৰে উভতি যোৱা আৰু সৌগন্ধিকা কমল তোমাৰ ধৰ্মপত্নীক উপহাৰ দিয়াগৈ। 'সৌগন্ধিকা' কমলৰে শিৱপূজা কৰিবলৈ ক'বাগৈ ধৰ্মপত্নীক। শিৱপূজা কৰিলে তোমালোকৰ মংগল হ'ব। অ'—অন্য এটি কথা। এই 'সৌগন্ধিকা' কমল কদাপি মৰহি নাযাব, 'সৌগন্ধিকা সদায়েই এনেকুৱা সুন্দৰ হৈ থাকিব।" হনুমানে অতঃপৰ ভীমক আশীৰ্বাদ কৰিলে।

তেওঁক প্ৰণাম কৰি কোৱা হ'ল, "হে মহাত্মন্! আপোনাৰ অনুগ্ৰহত মই 'সৌগন্ধিকা কমল' সেই দল-সৰোবৰৰপৰা বুটলি আনিবলৈ সক্ষম হ'লোঁ। এতিয়া; মোৰ অন্য এটি অনুৰোধলৈ দয়া কৰি কৰ্ণপাত কৰক। ভৱিষ্যতত কৌৰৱসকলৰ সৈতে আমাৰ পাণ্ডৱসকলৰ যুদ্ধত আপুনি আমাৰ পক্ষাৱলম্বন কৰক, এয়ে মোৰ বিশেষ প্ৰাৰ্থনা।"

ভীমৰ প্ৰাৰ্থনাৰ উত্তৰত হনুমানে ক'লে, "হে ভীম, মই সেই কালত যুদ্ধ নকৰোঁ, কিন্তু তোমালোকক অন্য ভাবে সহায় কৰিম। তোমালোকৰ যুদ্ধাৰম্ভত

*

ভীমে দ্ৰৌপদীক 'সৌগন্ধিকা' কমল প্ৰদান কৰিলে আৰু শিৱপূজাৰো আয়োজন কৰিলে। হনুমানে যেনেকৈ যি কৰিবলৈ কৈছিল, ভীমে সকলো কথা ঠিক ঠিক ভাবে পালন কৰিলে।

দ্ৰৌপদীয়ে ভীমক ক'লে, "মই তোমাৰপৰা এই 'সৌগন্ধিকা' কমল খুজিছিলোঁ, পালোঁ, আৰু লগতে পালোঁ পৰম পুণ্যৱান মহাত্মা ৰামভক্ত হনুমানৰ আশীৰ্বাদ—এয়া এক অভাৱিত কথা।

*

প্ৰতিজ্ঞা অনুসাৰে পাণ্ডৱসকলে বাৰ

বছৰলৈ বনবাস সাং কৰিলে আৰু তাৰ পাছতো এবছৰলৈ অজ্ঞাতবাস নিৰ্বিঘিনিৰে পূৰ্ণ কৰিলে।' আৰু তাৰ পাছত—যুদ্ধ পৰিহাৰ কৰাৰ বাবে কৃষ্ণক ৰাজদূত ৰূপে প্ৰেৰণ কৰিলে।

কিন্তু কৃষ্ণৰ হিত-বচনলৈ দুৰ্য্যোধনে কাণসাৰ নকৰা হ'ল আৰু তাৰ ফলত কৌৰৱ আৰু পাণ্ডৱৰ মাজত শান্তিও স্থাপিত নহ'ল, উভয়পক্ষৰ মাজত যুদ্ধ অনিবাৰ্য্য হৈ উঠিল।

কুৰুক্ষেত্ৰত ৰণ-দামামা বাজি উঠিল। অৰ্জুনৰ ৰথৰ পতাকাত সূক্ষ্মাতিসূক্ষ্মৰূপে হনুমান অৱিৰ্ভূত হ'ল। স্বয়ং শ্ৰীকৃষ্ণ হ'ল অৰ্জুনৰ ৰথৰ সাৰথি। আৰু—যুদ্ধক্ষেত্ৰ কুৰুক্ষেত্ৰত মহাভাৰতৰ সেই মহাসংগ্ৰাম লাগি পৰিল। ৰথ-সাৰথি ৰূপে শ্ৰীকৃষ্ণই পাণ্ডৱৰ হৈ এই যুদ্ধৰ নিৰ্দেশ দিবলৈ ধৰিলে। কৃষ্ণই বিশেষকৈ যুদ্ধত একেবাৰে অনিচ্ছুক অৰ্জুনক সাৰগৰ্ভী উপদেশাদি প্ৰদান কৰি যুদ্ধলৈ উদগালে। কৃষ্ণৰ উপদেশ মতে অৰ্জুনে শত্ৰু-সংহাৰত মনোনিবেশ কৰিলে আৰু অৱশেষত—যুদ্ধান্তত ন্যায়ৰন্ত পাণ্ডৱসকলেই বিজয় লাভ কৰিলে।

দুঃশাসনে দ্ৰৌপদীৰ কেশাকৰ্ষণেৰে যি অপমান কৰিছিল, ভীমে সেই মহাদুষ্ট দুঃশাসনৰ তেজেৰে দ্ৰৌপদীৰ কেশ ধৌত কৰি সেই অপমানৰ পোটক তুলিলে,—



গদাযুদ্ধত ভয়ংকৰ বলশালী ভীমে দুৰ্য্যোধনৰ উৰু-ভংগ কৰিলে।

আৰু — এইদৰে, ভীমে তেওঁৰ-কৃত সকলো প্ৰতিজ্ঞা পূৰ্ণ কৰিলে।

অধৰ্মৰ বাটেদি বাট বুলি কৌৰৱ-সকলৰ সৰ্বনাশ হ'ল।

আৰু—ধৰ্ম-পথ অৱলম্বন কৰি ন্যায়ৱন্ত পাণ্ডৱসকল হ'ল বিজয়ী।

শ্ৰীকৃষ্ণই হনুমানলৈ অবিমিশ্ৰ শলাগৰ শৰাই আগবঢ়াই হনুমানক ক'লে, "হে হনুমান! সৎকাৰ্য্যৰ প্ৰতি তোমাৰ অপাৰ শ্ৰদ্ধা থকাহেতুকে তাহানিতে ৰাৱণ-সংহাৰত ৰামচন্দ্ৰক সহায় কৰি যথাকৰ্তব্য সাধিছিলা। নিজৰ অকুণ্ঠিত দীক্ষাৰে তুমি নিজ-লক্ষ্য প্ৰাপ্তিলৈ কৃতকাৰ্য্য হ'লা, আৰু এতিয় আমাৰ এই মহাভাৰতৰ যুদ্ধক্ষেত্ৰ-কুৰুক্ষেত্ৰৰ মহা-সংগ্ৰামত বিজয়-ধ্বজা উৰুৱাবলৈকো তুমি যথোচিত সহায় কৰিলা। তোমালৈ অকুণ্ঠ-কৃতজ্ঞতা থাকিল পাণ্ডৱসকলৰ।"

হনুমানে বিনয়পূৰ্বক ক'লে, "আপুনি য'ত সাৰথি, তাত বিজয় কেনেকৈনো নহ'ব? ত্ৰিলোকত ক্ৰিয়াসিদ্ধি হ'ল শ্ৰেষ্ঠ বল, ক্ৰিয়াসিদ্ধিতকৈ অধিক বল একোৱেই নাই। আৰু মই—সেই ক্ৰিয়াসিদ্ধিৰ মই হ'লোঁ চিহ্নমাত্ৰ।"

"ওঁ, তুমি ক্ৰিয়াসিদ্ধিৰ চিহ্ন—তথা প্ৰতীক হৈ থাকিবা। সৰ্বকালত সৰ্বযুদ্ধত এই প্ৰতীক ব্যৱহাৰ কৰাসকলে বিজয় লভিব, বিজয়ধ্বজ ৰূপে তোমাৰ গুণ তথা কীৰ্তি কীৰ্তিত হ'ব।"

কৃষ্ণই এই শাশ্বত সত্যক বীৰ হনুমানৰ আগত প্ৰকাশ কৰিলে। পাণ্ডৱসকলে হনুমানক প্ৰণাম কৰিলে আৰু কৃষ্ণৰ আশীৰ্বাদ-প্ৰাপ্ত হৈ হনুমান গন্ধমাদনলৈ বুলি উৰা মাৰিলে।

গন্ধমাদন পৰ্বতত হনুমানে নিৰন্তৰ ৰামনাম জপ কৰি জীৱন সাৰ্থক কৰিলে।

জালত লগা শিঙৰা

বিয়াৰ তিনিমাহতে কমেও তেৰ বাৰ কি তাতোকৈ অধিক বাৰ নৰধৰ তাৰ শাহুৱেক সুনয়নীৰ তেওঁৰ জোঁৱায়েকৰ ওপৰত সিমান সুনজৰ আৰু নোহোৱা হৈছে। কিনো নাশ্ৰুত-নাভূত কথা—? কোনোবা জোঁৱায়েকে ইমান ঘনাই আহিলে সিবোৰ জোঁৱায়েকৰ অৱস্থা শোহান্তৰত কি হয়—শাস্ত্ৰত কাহানিবাই কৈ থৈছে :

'হবির্বিনা হৰির্যাতি
বিনা পীঠেন মাধৱঃ
কদন্নৈঃ পুণ্ডৰীকাক্ষঃ
প্ৰহাৰেণ ধনঞ্জয় ॥'—অৰ্থাৎ—

একালত চাৰিজন জোঁৱায়েকে সিহঁতৰ শহুৰৰ ঘৰলৈ ঘনাই অহা-যোৱা কৰাত, বৰ জোঁৱাই হৰিক ঘিউ নিদিয়াত সি খং-উঠি গুচিল, পাছত মাজু জোঁৱায়েক মাধৱক আহাৰ কালত আসন নিদিয়াত সি-ও ফুটিল, তাৰ পাছত—এদিন বেয়া চাউলৰ ভাত দিয়াত উগ্ৰ খং উঠি ন-জোঁৱায়েক পুণ্ডৰীকাক্ষও গ'লগৈ। কিন্তু সৰু জোঁৱায়েকটো—ধনঞ্জয়টো যে তথাপি নলৰে-নচৰে। তেতিয়া এদিন তাক তাৰ খুলশালিয়েকহঁতে দস্তুৰমত দগা-পখৰা দিহে তাকো খেদোৱা হ'ল।

জোঁৱায়েক নৰধৰৰ ঘৈণীয়েক সুচৰিতাই কৈছিল মাকক। কিন্তু মাক সুনয়নীয়ে আন নানান মিঠাই বনাব পাৰে, ৰসগোল্লাটোহে নোৱাৰে। ৰসগোল্লা বনাবলৈ লাগে—সুভদ্ৰাক। তেওঁ তেওঁলোকৰ কামকৰা মানুহ ৰংগাক সুভদ্ৰাৰ ওচৰলৈ পঠিয়াই জোঁৱায়েকৰ

মহাদেৱ মহন্ত



জিভাৰ তৃপ্তিৰ বাবে ৰসগোল্লা বনাই অনায়। কিন্তু—এয়া বৰ দিগদাৰি।

বিয়াৰ অন্তত—প্ৰথমৰ ফালে নৱধৰে সুচৰিতাক লগত লৈ পূৰ্ণিমাত-আঁউসীত একাদশী আদিত আহিছিল, বা কিবা পূজাই-পৰ্বে। কিন্তু এতিয়া আৰু সেইবোৰো নাই। যেতিয়াই মন যায় তেতিয়াই আহে, আহি খলি পুতি বহে, বহিলে আৰু উঠাৰ নামকে নকৰে। তাক সদায়েই—ৰসগোল্লা লাগে!

নকওঁ-নকওঁকৈয়ো কথাটো এ[illegible]ন সুনয়নীয়ে তেওঁৰ গিৰিয়েকক ক'লে। ক'লে যে — ৰসগোল্লা নোখোৱাকৈ জোঁৱায়েক ক'লৈকো নাযাব, আৰু সেই সুভদ্ৰাজনীৰপৰা ৰসগোল্লা তৈয়াৰ কৰাই অনাবই লাগিব।

"কিন্তু—ৰংগাক যে ৰাম-সীতা-ভাওনা চাবলৈ মই ছুটী দিলোঁ কামৰপৰা—!"

সুনয়নীয়ে কৈ উঠিল, "এতিয়া কি হ'ব? কোন যাব সুভদ্ৰাৰ তালৈ? আপুনি যেনেতেনে ৰংগাক মতাই অনাওক।"

ইপিনে — ৰংগাই তাৰ ঘৈণীয়েক ৰাগিণীক সাজু হ'বলৈ কৈছিল ৰাম-সীতা ভাওনা চাবলৈ যাবলৈ আৰু সেইহে ৰাগিণীয়ে তাইৰ ভালৰো ভাল কাপোৰ-কিনিখিনি পিন্ধি অপেচৰীহেন সাজ কাচ কৰি সাজুও হৈছিল। এনেতে যমদূতৰ দৰে মানুহ এজন আহিল মালিকৰপৰা: এতিয়াই মালিকৰ ঘৰলৈ যাব লাগে।

ৰংগাইনো কৰে কি? মালিকৰ কথাত 'নহয় নাযাওঁ' বুলি ক'ব তো নোৱাৰে। শুনি — তিমানতে ৰাগিণীয়ে ঘৰৰ বাৰান্দাত ঢাৰি ল'লেই। তথাপি, ৰংগাই মালিকৰ ঘৰলৈ বুলি খোজ বঢ়ালে।

সুনয়নীয়ে ৰংগাক ক'লে, "শুনা, এইখিনি বস্তু সুভদ্ৰাক দিয়াগৈ। আৰু শুনা, কেৱল দিলেই নহ'ব। সুভদ্ৰাই ৰসগোল্লা নবনোৱালৈকে তুমিও তাতেই বহি থাকিবা, ক'লৈকো নাযাবা।

ৰসগোল্লাখিনি মোক আজিয়েই লাগে।”

সুভদ্ৰাই ৰংগাক ক'লে “তেওঁলোকক —ক'বলৈ গ'লে প্ৰত্যেক সপ্তাহতে ৰসগোল্লা বনাই দিব লাগে। কিন্তু এই বাবে তেওঁলোকে মোক এটা পইচাও আজিপধ্যে নাই দিয়া। এতিয়া—মোৰ বাইদেউ গাঁৱৰপৰা আমাৰ ঘৰলৈ আহিছে পোনাকেইটিকো লগত লৈ। সিহঁতেও ৰসগোল্লা খাই বৰ ভাল পায়। সিহঁত কালিলৈ যাবগৈ। গতিকে—আজি মই বাইদেউৰ কাৰণে ৰসগোল্লা বনাম তেওঁলোকক আজি দিব নোৱাৰিম, কাইলৈ, বা পৰহিলৈহে বনাই দিম।”

শুনি ৰংগা বৰ বিমোৰত পৰা হ'ল, ৰসগোল্লায়েই তাক খুলি খালে। এতিয়া —ৰসগোল্লাৰ কাৰণে তাৰ ঘৈণীয়েক ৰাগিনীয়েও তাৰ ৰগত ধৰিব, আৰু এই ৰসগোল্লাৰ কাৰণেই মালিকনী সুনয়নীয়েও তাক সেকা দিব। আৰু—ৰসগোল্লাৰপৰা হোৱা এনেবোৰ অথন্তৰ এদিন-দুদিনৰ নহয়, এই ৰসগোল্লীয়া অথন্তৰ বাৰে বাৰেই হৈছে। কেনেকৈনো এনেকুৱা অথন্তৰৰ হাত সাৰিব পাৰি—?

হঠাৎ সি যেনিবা এটা উপায় পোৱা হ'ল। আৰু সি সেই উপায়টোৰ কথা সুভদ্ৰাকো কোৱা হ'ল। এই উপায় ল'লে —সুভদ্ৰাৰো লাভ, তাৰো লাভ।

ৰংগাৰ প্ৰস্তাৱ শুনি সুভদ্ৰায়ো ঘৰপৰা' গুচি গ'ল।

ৰংগাৰ মুখে ৰসগোল্লাৰ বিসম্বাদীয়া বাৰ্তা শুনি জোঁৱায়েক নৰধৰে—'ৰসগোল্লা খাব তেহে যাব' বুলি কোৱাত সুনয়নীৰ শিৰত হৈল সৰ্পাঘাত। কিন্তু উপায় নাই —'প্ৰহাৰেণ ধনঞ্জয়ঃ' কৰাৰ উপায়— নাই। ই যাক বোলে বজ্ৰলেপ!

পিছ দুৱাৰত বহি থকা জোঁৱায়েক ৰংগাই নৰধৰক ক'লে, “সুভদ্ৰাই কিন্তু ৰসগোল্লা নবনোৱাকৈ থকা নাই, বনাই আছে। অনিৰ কাৰণে, তাই ৰসগোল্লা

বনোৱা মই নিজেই চাই আহিছোঁ। বৰ বঢ়িয়া ৰসগোল্লা যে বনাইছে— চকুৰে চেলেকিয়েই তাৰ বুজ ল'ব পাৰিছোঁ।— আমাৰ কাৰণে নবনায় কেলেই জানেনে? অমি তাইক একপইচাও নিদিওঁ বুলি।"

"কিন্তু—সুভদ্ৰাই বনোৱা ৰসগোল্লা যে মোৰ লাগিবই—। পইচা-পাতি দিওঁ যদি—বনাই দিবনে তাই?"

নৰধৰৰ কথাৰ উত্তৰত ৰংগাই ক'লে, "কাম এটা কৰোঁ আহক।—তাই সুভদ্ৰাই ৰসগোল্লা বনাই এটা চকৰ ভিতৰত ক'ত থৈছে—মই চাই আহিছোঁ। সেই চৰুটো কেনেবাকৈ লৈ আহিব পাৰোঁ যদি—বছ

—কিছছা খতম, পইচা হজম।"

"কেনেকৈনো সুন্দৰ হ'ব? মই এই কাম কেনেকৈ কৰিম?" নৰধৰে ক'লে।

"ইমান সংকোচ নকৰক। কাম এটা কৰক। ৰসগোল্লা বনোৱাৰ কাৰণে সুভদ্ৰাক দিবলৈ—পঁচিছটা টকা লগত লওক। বাদবাকী কাম মই কৰিম।"

ৰংগাৰ কথা মতে নৰধৰ ওলাল, যদিও বৰ ভাল যেন নালাগিল তাৰ।

সুভদ্ৰাৰ ঘৰ পাওঁতে প্ৰায় গধূলিয়েই হ'ল। বুলি ক'ব পাৰি তেতিয়া সুভদ্ৰাজনী অকলেই ঘৰত আছিল।

"আৰে!"

নৰধৰে হাঁহিলে। ৰসগোল্লা-হাঁহনেই হাঁহিলে।

অবাক মানি সুভদ্ৰাই জোঁৱায়েক নৰধৰক কৈ উঠিল, "আপুনি আমাৰ ইয়ালৈ—! মই কাইলৈ বা পৰহিলৈ ৰসগোল্লা বনাই দিম বুলি ৰংগাক কৈ পঠাইছিলোঁৱেই নহয়?"

"আপোনাক ইমান দিন ধৰি—ৰসগোল্লা বনোৱাৰ বাবে কোনেও এক পইচাও দিয়া নাই বুলি শুনিলোঁ যেতিয়া ৰংগাৰ মুখে—নাহি থাকোঁনো কেনেকৈ? আপুনি অনুগ্ৰহ কৰি এই টকা পঁচিছটি ল'লে বৰ ভাল পাম।" নৰধৰে নাৰৰ

বাৰত টুকুৰিয়াই চালে।

ৰংগাই সুভদ্ৰাক হাতৰ ইচাৰাৰে মাতিলে আৰু নৰধৰক চকুৰে ইচাৰা কৰিলে।

সুভদ্ৰাক ৰংগাই সুভদ্ৰাহঁতৰ ঘৰৰ কাষৰীয়া চেপা গলিটোৰ ভিতৰলৈ মাতি লৈ গ'ল — কিবা অত্যন্ত গুপুত কথা এটাৰ কোৱাৰ ছলেৰে।

আৰু নৰধৰে মুহূৰ্তমানো পলম নকৰাকৈ—ৰংগাই আগতেই কৈ থোৱা মতে দীঘল দীঘল খোজেৰে সুভদ্ৰাৰ ৰান্ধনিশাললৈ সোমাই গ'ল।

ৰংগাই কোৱা মতে আন্ধাৰে-মুন্ধাৰেও নৰধৰে ৰসগোল্লাৰ চৰুটো বিচাৰি পালে আৰু তাত কি আছে কি নাই হাতেৰে লাৰি-চৰি চোৱাৰ মনৰে চৰুটোৰ ভিতৰত সোঁহাতখন কিলাকুটিলৈকে ভৰাই দিলে আৰু চৰুত থকা মিঠাই এখামোচ ভৰাই দিলে মুখৰ ভিতৰলৈ।

বছ, নৰধৰৰ মুখ জিভা ডিঙি—লগে লগে ৰঙা পৰিল, ফুলি ঢোল হৈ উঠিল। তাৰ মুখৰ ভিতৰত আৰু আনকি তাৰ গোটেই গাতো মজাৱলি পৰুৱা ভৰি পৰিল আৰু সেই বিষাল পৰুৱাবোৰে তাক ভয়ানক ভাবে কামুৰি থাকিল।

চৰুটোত মিঠাই প্ৰায় নাছিলেই, আছিল হাজাৰ-বিজাৰ মজাৱলি। চুৰ কৰি মিঠাই খাবলৈ যোৱা নৰধৰক মজাৱলিয়ে মজা কৰি খালে!

মজাৱলিৰ বিষত সি জৰ্জৰিত হৈ উঠিল আৰু সি হায়ঔ-মৰিলোঁ ঔ-কৈ চিঞৰি চিঞৰি সুভদ্ৰাহঁতৰ ঘৰৰপৰা দৌৰি পলাল যে পলাল—একেবাৰে নিজৰ ঘৰলৈ গৈহে ৰ'ল আৰু মজিয়াত পৰি মজাৱলিৰ বিষত বাগৰি বাগৰি ছটফটাই থাকিল।

এই ঘটনাৰ পাছৰপৰা নৰধৰে আৰু কেতিয়াও শহুৰৰ ঘৰলৈ যোৱাৰ নামকে নকৰিছিল, 'সি এটা জালত লগা শিঙৰা যেন হৈ পৰিছিল।

সপোন দিঠক হ'ল

চমকা হ'ল গৰখীয়া। গৰখীয়া, কিন্তু তাৰ মাজত কিঞ্চিত চিন্তাশক্তিৰ আভাস আছিল। সি 'খাওঁ-শোওঁ গৰু-ছাগলী চৰাওঁ' বিধৰ নাছিল। তাৰ মনত আছিল ডাঙৰ যুঁজাৰু হোৱাৰ বাসনা, যদিও— প্ৰায় আকাশকুসুম-কল্পনা।

এদিন সি চমকাই গৰু চৰাই থাকোঁতে এজোপা গছৰ তলত বহি বহি কত কি যে আকাশ-পাতাল ভাবি আছিল! ভাবি ভাবি এসময়ত সি টোপনিত লাল-কাল হৈ পৰিল আৰু সি সপোন দেখি থাকিল।

সপোনত সি চমকাই এক বিৰাট ওখ পৰ্বত অতিক্ৰমি কোনোবা ৰাজ্য পালেগৈ আৰু তালৈ যোৱামত্ৰেই সেই ৰাজ্যৰ সিংহাসনত বহি দিলেগৈ। তাৰ কাষত বহি আছিল তাৰ পৰমাসুন্দৰী ৰাণী।

"মই—ৰজা! ৰজা!"

এই বুলি চিঞৰি সি টোপনিৰপৰা সাৰ পাই গ'ল। সামান্য সময় আছন্ন দৰে থকাৰ অন্তত সি উপলব্ধি কৰিব পৰা হ'ল যে সপোন—সপোনেই। সি সপোনৰ ৰজা আৰু দিঠকৰ প্ৰজা।

কিন্তু পাছদিনাও যেতিয়া সি একেদৰেই সেই একেই সপোন দেখিলে, তেতিয়া, সাৰ পোৱাৰ অন্তত সি ভাবিলেঃ কথানো কি—? কালিলৈও যদি পুনৰ এনেকুৱা সপোন দেখোঁ, মই সৌ পাহাৰটো পাহাৰ হৈ পাহাৰৰ সিপাৰে থকা চম্পকপুৰলৈ যাম, আৰু চাম কি হয়। আৰু তৃতীয় দিনতো সি একেদৰেই একেই সপোন দেখিলে।

এইবাৰ চমকা চমকি উঠিল আৰু

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ভাবি থাকিল: কাৰ ভাগ্যত কি আছে কোনে ক'ব পাৰে? গতিকে—যিহেতু শুই থকা শিয়ালে হাঁহ ধৰি খাব নোৱাৰে —সিহেতু চেষ্টা কৰি চোৱা আৱশ্যক।

আৰু সি গৰখীয়াৰ কাম কৰি, পাছদিনাই সেই পাহাৰ বগাই, পাহাৰৰ সিপাৰ পাই, তাত থিয় হৈ ভাবিলে: ইয়াত সিংহাসনও নাই, ৰাণীও নাই, আৰু মোৰ মূৰত ৰাজমুকুটো নাই। কিন্তু— হতাশা কোনো গুণ নহয়।

যি হওক—চমকাই এইবাৰ বেগাই গৈ গৈ চম্পকপুৰ ৰাজ্যত ভৰি দিলেগৈ।

ভৰি দিলে, কিন্তু তাৰ ওচৰে-পাজৰে সি ক'তো-কেনিও কোনো গাঁও এখনো দেখা নাপালে। সি তাৰ আগত দেখা পালে অটব্য অৰণ্য। ইপিনে—সাঁজ লাগি ভাগিছিল। গতিকে—সি অৰণ্যলৈ সোমাই গ'ল আৰু তাতে তলত ৰাতি-ছোৱা পাৰ কৰিব বুলি ভবা হ'ল।

হঠাৎ তাৰ কাণত পৰিল মানুহৰ মাত। কেইজনমানে কথা পাতি থকাৰ স্পষ্ট শব্দ। চমকাই শুনি থাকিল সিহঁতৰ কথাখিনি। সিহঁতে যে এই অৰণ্যতে থকা কিবা ধৰণৰ ঘৰ এটাত থাকিবগৈ—সেই কথাটোও শুনিলে চমকাই। তাৰ পাছত— মানুহকেইজনে যেতিয়া সেই ঘৰলৈ বুলি খোজ ল'লে, তেতিয়া চমকায়ো যথেষ্ট দূৰত্ব ৰাখি সিহঁতৰ পিছে পিছে গ'ল।

সিহঁতকেটা ঘৰৰ ভিতৰলৈ সোমাল, কিন্তু চমকা আন্ধাৰে-মুন্ধাৰে ঘৰৰ এচুকত থিয় হৈ থাকিল। আৰু ঠিক তেতিয়াই এটা ঘোঁৰাত উঠি আন এজন মানুহ তালৈ আহিল। এই মানুহজনে আগতে আহা তিনিজনৰ মাজত এজনক ক'লে, "কিহে শেন, আজি তোমাৰ খবৰ কি ?"

"খবৰ বেয়া নহয়, চৰ্দাৰ !" শেন নামৰ মনুহজনে ক'লে, "আজি মই এটা বিশেষ বস্তু পালোঁ। বস্তুটো হ'ল—এটা চোলা। এই চোলাটো জোকাৰি দিলেই ধন পায়।"

"চা—ব্বাইচ !"

চৰ্দাৰে কৈ উঠিল আৰু শেনৰ পিঠিত চাপৰি দিলে। তাৰ পাছত আন এটাক ক'লে, "হোঁ—শিয়াল, তুমি ?"

শিয়াল নামৰ মানুহটোৱে অৰ্থাৎ চোৰটোৱে ক'লে, "চৰ্দাৰ! মই এজন সেনাধিপতিৰপৰা মুকুট এখন কাঢ়ি ল'লোঁ। এই মুকুট মূৰত পিন্ধি জোকাৰি দিলেই হাজাৰ হাজাৰ কাঁড় ওলাব আৰু শত্ৰুক ধংস কৰিব।"

"কেয়াবাৎ—কেয়াবাৎ !"

চোৰৰ চৰ্দাৰে শিয়ালকো শলাগিলে আৰু তৃতীয় চোৰটোক ক'লে, "আৰে ঐ কুকুৰনেচীয়া, তোৰ খবৰ-খাবাৰ কি ?"

"চৰ্দাৰ! মই এখন তৰোৱাল পালোঁ আজি। এইখন তৰোৱালেৰে মাটিত খুচি দিলেই হাজাৰ-বিজাৰ অস্ত্ৰধাৰী যুঁজাৰু পাতাল ফালি ওলাই আহিব।" কুকুৰনেচীয়া নামৰ মানুহটোৱে ক'লে।

"বহুত আচ্ছা !"

চোৰৰ চৰ্দাৰে ক'লে, "বস্তুবোৰ দেৱালত ওলোমাই থৈ তহঁতে এতিয়া খাপি-আৰাম কৰ। কালিলৈ ধল-পুৱাতে মই আকৌ আহিম। বহুত কাম আছে।"

চৰ্দাৰ গুচি যোৱাৰ পাছত চোৰ তিনিটাই যেতিয়া শুই টোপনিত লাল-কাল দিলে, তেতিয়া—দেৱালৰ গাত ওলোমাই থোৱা সেই চোলাটো, মুকুটখন আৰু তৰোৱাল-

খন লৈ চমকা তাৰপৰা গুচি গ'ল—আৰু ৰাতিপুৱা চম্পকপুৰ পোৱা হ'ল।

তাৰ পাছত বহু চেষ্টাৰে চমকাই চম্পকপুৰৰ মহাৰাজৰ দৰ্শনলাভ কৰাৰ অনুমতি পালে। তেতিয়া সিংহাসনত মহাৰাজৰ একাষত ৰাজকুঁৱৰী চম্পাৱতীও বহি আছিল। ৰাজকুঁৱৰীক দেখা পাই চমকা চমকি উঠিল: সাইলাখ সপোনত দেখা সেই ৰাণী!

মহাৰাজে চমকাক সুধিলে, "কোৱাঁ, তোমাক কি লাগে।"

চমকাই মহাৰাজক চোলা, তৰোৱাল আৰু মুকুটৰ বিষয়ে সকলো কথা বিবৰিলে আৰু তাৰ পাছত ক'লে, "মহাৰাজ! মই এজন যুঁজাৰু। লাগিলে—মই বিশ্বজয়ও কৰিব পাৰোঁ আৰু আপোনাক বিশ্ববিজয়ী সম্ৰাট হোৱাৰ বাট কাটিব পাৰোঁ।"

"বাৰু, বিশ্ববিজয়ী সম্ৰাট হোৱাৰ লৈ মোৰ বৰ মন নাই। কিন্তু—গান্ধাৰ দেশৰ আক্ৰমণ প্ৰতিৰোধ কৰাৰ মন আছে। তুমি গান্ধাৰদেশ জয় কৰাতোন চাওঁ—?"

"এয়া-মোৰ পক্ষে কেঞ্চা অঙুলিৰ খেল, মহাৰাজ!" চমকাই ক'লে, "কিন্তু মহাৰাজ, এটা চৰ্তত। গান্ধাৰদেশ জয় কৰিব পাৰোঁ যদি ৰাজকুঁৱৰীক মোক—"

চমকাৰ নিৰ্ভীকতাত মহাৰাজ মুগ্ধ

হ'ল। তেওঁ মিচিকীয়াই হাঁহি সন্মতি-সূচক ভাব প্ৰকাশ কৰিলে।

তাৰ পাছত চমকাই কিছুমান সৈন্যৰে সৈতে গান্ধাৰদেশলৈ বুলি ৰাওনা কৰিলে আৰু সেই মন্ত্ৰঃপূত মুকুট আৰু তৰোৱালৰ সহায়ত গান্ধাৰদেশ বিজয়ৰ অন্তত পুনৰ চম্পকপুৰলৈ উভতি আহি মহাৰাজক ক'লে, "মহাৰাজ! গান্ধাৰদেশৰ ৰজা পলাল, গান্ধাৰৰ সৈন্যহঁতৰ অধিকভাগ মৰিল, বাদবাকীয়ে ফৰিং ছিটকা দিলে।"

মহাৰাজে চমকাক ক'লে, "তোমাতকৈ বীৰতা থকা কাকনো আৰু পাম? আৰু —ময়ো বৃদ্ধ হ'লোঁ। গতিকে—তোমাৰ

ৰাজ্যাভিষেক এতিয়াই পাতিম আৰু তুমি এই চম্পকপুৰৰ ভৱিষৎ-ৰজা বুলি আজিয়েই মই ঘোষণা কৰিম।”

তাৰ পাছত—এদিন চমকাৰ সৈতে মহা সমাৰোহেৰে ৰাজকুঁৱৰীৰ বিবাহ সম্পন্ন কৰা হ'ল। চমকাৰ ৰাজত্বকালত চম্পক-পুৰৰ প্ৰজাবৰ্গ বৰ-সুখে-শান্তিৰে আছিল। চমকাহেন উদাৰ তথা দয়ালু ৰজা পাই প্ৰজাই ধন্য মানিছিল।

বহুদিনৰ অন্তত চম্পকপুৰৰ চমকা-ৰজাই তেওঁৰ প্ৰকৃত-পৰিচয় মহাৰাজ-মহাৰাণী আৰু নিজৰ পত্নীকো কৈছিল। কৈছিল যে— একালত তেওঁ আছিল এজন গৰখীয়া মাথোন। কিন্তু—গৰখীয়া এজন ৰজা হোৱাত মহাৰাজ-মহাৰাণীৰ তথা ৰাজকুঁৱৰীৰ মাজতো কোনো খেদৰ প্ৰকাশ দেখা নগ'ল। ৰাজকুঁৱৰীয়ে অৰ্থাৎ —চমকা-ৰজাৰ পত্নীয়ে ক'লে, “মানুহ এজনৰ পৰিচয় হ'ল তেওঁৰ যোগ্যতাত।”

কেইবছৰমানৰ অন্তত চম্পকপুৰত আকালে দেখা দিলে। তেতিয়া ৰাজকোষৰ ধনেৰে অন্যান্য দেশৰপৰা খাদ্যদ্ৰব্য অনা হ'ল। কিন্তু ৰাজকোষৰ ধনো এদিন যেতিয়া শেষ হৈ আহিল, তেতিয়া প্ৰজাবৰ্গৰ দুখ-কষ্ট কুলাই-পাচিয়ে নধৰা হ'ল, আৰু আৰুনো কি কি বেচিব পৰা দ্ৰব্য-সামগ্ৰী আছে—তাৰ বাবে ৰাজ-প্ৰাসাদৰ সকলো বস্তু চালি-জাৰি চাওঁতে সেই চোলাটো এটা বাকচৰপৰা ওলাই পৰিল—যিটো চোলাৰ কথা চমকা-ৰজাই ইমানদিনলৈ পাহৰিয়েই আছিল।

পাছত, এই চোলা জোকাৰি জোকাৰি যি বিপুল ধন পোৱা হৈছিল, তাৰেই চমকা-ৰজাই চুঙাৰ কোঁপত হাত সুমুৱাই থাকিও আকালৰ হাঁকাল-বিকাল হাঁকানি-নিকানি গুচাই সুখে-শান্তিৰে দীৰ্ঘকাললৈ ৰাজত্ব চলাব পৰা হৈছিল আৰু এইদৰে গৰখীয়া চমকাৰ, সপোন দিঠক হৈছিল।

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

‘একালত থকা’

পৃথিৱীখনত সৰ্বমুঠ ৯৬০০ বিধৰ চৰাই থকা বুলি অনুমান কৰা হৈছে। কিন্তু ৯৬০০-ৰ মাজত ৬০০০ হাজাৰেই বিলুপ্তিৰ পথত বুলি শুনিলে কোনেনো ব্যথিত নহ'ব? ১০০০ বিধ বিলুপ্ত হ'ল বুলিয়েই ক'ব পাৰি। কাৰণনো কি? শুনি আচৰিত হ'ব লাগিবই যে, মানুহৰ অন্যায় আক্ৰমণেই হ'ল প্ৰধান কাৰণ। সেউজৰ সমাৰোহ নথকা, অবিবেচিত ভাবে গছ-গছনি কাটি পেলোৱা, নতুন বনাঞ্চল সৃষ্টিত অসক্ৰিয়তা—আৰু লগতে ভালেমান প্ৰজাতিৰ চৰাইক মানুহে খাদ্য হিচাপে ব্যৱহাৰ কৰা আদিয়েই এই বিপৰ্য্যয়ৰ মূল। উদাহৰণস্বৰূপে, ইঅ'ৰোপীয় বগা বগ আৰু উত্তৰ-আমেৰিকাৰ হালধি-ঠুঁটীয়া কুলি চৰাইক এইখন পৃথিৱীত ‘একালত থকা’ চৰাই হিচাপে ঘোষণা কৰা হৈছে!

নিপুণ উমনি

ঠাণ্ডা লগা জাৰত আমি ৰ'দ বা জুই পুৱাওঁ, বা আজিৰ দিনত ইলেকট্ৰিক ৰুম-হিটাৰত গা তপতাওঁ, বা লেপ-কেঁথা যি পাওঁ তাৰে ঠাণ্ডাক গৰম কৰোঁ। ‘পৰিবৰ্ত উৎস’ কি—আমি জানো। কিন্তু—মুকলিত—মুক্ত আকাশৰ তলত থকা চৰাইবোৰেও এই ‘তপতোৱাৰ’ কিটিপ জানেনে? কণীৰপৰা পোৱালি নোলোৱালৈকে চৰাইবোৰে যি কৰে—চাই তৰধেই মানিব লাগে। অষ্ট্ৰেলিয়াৰ মালি-কুকুৰাৰ কথাটোকে লোৱা যাওক। সেই মতা মালি-কুকুৰাই ১ মিটাৰলৈকে দ গাঁত এটা খান্দে, গাঁতটো ৩ মিটাৰমান বহল হয়। ইমান ডাঙৰ গাঁতটো ঘাঁহ-পাতেৰে বোজাই কৰে আৰু গাঁতৰ মুখ বালিৰে ভৰায়। এই ঘাঁহ-পাত-বালিয়ে গাঁত-টোৰ ভিতৰত তাপ সৃষ্টি কৰে আৰু মাইকীকুকুৰাই সেই গাঁতত কণী দিয়ে। এসপ্তাহত এটাকৈ কণী দিয়ে একাদিক্ৰমে ছমাহলৈ! মাইকী কুকুৰাজনীয়ে তাইৰ জিভাৰে গাঁতৰ তাপ-ৰ উমান লয় আৰু বালি গুচাই বা অধিক বালি দি তাপৰ সমতা ৰক্ষা কৰে। এইদৰে সপ্তাহত এটিকৈ পোৱালি ওপজে!



ভাৰততো ডাইনোচোৰাছ!

আমাৰ ভাৰততো ডাইনোচোৰাছ নামৰ বিৰাটকায় জন্তু এসময়ত আছিল—এই বিশ্বাস ক্ৰমাত দৃঢ় হৈছে। যোৱা দহ বছৰত প্ৰায় ১০০০ গাঁত আৰু শিলীভূত হৈ পৰা কণীৰ খণ্ডীকৃত অংশ গুজৰাটৰ খেৰা জিলাত আৱিষ্কৃত হৈছে। এই কণীবোৰ ২১ ছে. মি. দীঘল আৰু ৭ ছে. মি. তকৈ অলপ বেছি বহল। এই কণীবোৰ অত্যন্ত গধুৰ, কিয়নো, এইবোৰ শিলীভূত। পঞ্জাব বিশ্ববিদ্যালয়ৰ গৱেষকসকলৰ মতে: এইবোৰ কণীৰ বয়স কমেও ৬৫,০০০,০০০ বছৰ!



মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আঁৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 252.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি কেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৪ চনৰ আগস্ট সংখ্যাত প্ৰকাশিত হ'ব।

Shanbagavalli

Sundaramurthy

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৪ চনৰ জুন মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৪ চনৰ এপ্ৰিল মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : শেষ সন্ধিয়াৰ সুৰ দ্বিতীয় ফটো : পুৰাৰ আশাৰে পূৰ

বিৰাজ গগৈ পানীবৰা গাঁও তিনিআলি ডিব্ৰুগড় অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি চান্দমামা ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

THE
Lacto King
WRAPPER
Swap!
Parry's
JUST SEND IN
150 wrappers for a Frizbee
50 wrappers for a Lacto King Fun Book
LION TALES!
THE Lacto King FUN BOOK
25 wrappers for Fun Stickers
FREE! Fabulous gifts in exchange for Lacto King wrappers...
Three more reasons not to stop eating Lacto King!
Send the wrappers with your name, date of birth and complete address to: P.O. Box No. 7002, Madras 600 092. Offer closes June 30, 1994.
Parry's Lacto King also available without this offer.
Parry's
Lacto King
So tasty, you just can't stop eating it!
HTA.7460.95

CHANDAMAMA (Assamese) June 1994 Regd. No. TN / MS (S) 87

Gautam Goswami (Patacharkuchi)
7-6-1994



ষ্টাম্প গ'লে পৰি কৈ গ'ল কি? খেলৰ আচল শক্তি দিয়ে যি

পাৰ্লে-জি

সোৱাদ ভৰা, শক্তি ভৰা।

ভাৰতৰ সৰ্ব্বাধিক বিক্ৰী হোৱা বিস্কুট।

everest/93/PP/173-as